## নাওবৈচাত অখিলৰ প্ৰতিবাদ

ই-সংবাদ, ২০ নৱেম্বৰঃ কংগ্ৰেছৰ দখলত থকা নাওবৈচা সমষ্টিত আজি অখিল গগৈয়ে মানৱ শৃংখল ৫ পৃষ্ঠাত চাওক



www.newsnextone.com

# e সংবাদ



Sacn to Donate

NEWSNEXTONE.COM



THURSDAY, NOVEMBER 21, 2024 ■ বৃহস্পতিবাৰ, ৫ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১৮ Guwahati, Assam ।। মূল্যঃ এটকা


### বাধ্যতামূলক চিচিটিভি, লাগিব চালক

## গুৱাহাটীৰ বাৰত বিক্ৰী হয় ড্ৰাগছ! বাৰক লৈ হঠাৎ তৎপৰ আৰক্ষী, আবকাৰী বিভাগ



**ই-সংবাদ, ২০ নৱেম্বৰঃ** গুৱাহাটীত হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত অভিলেখ সংখ্যক পথ দুৰ্ঘটনা সংঘটিত হৈছে আৰু এই দুৰ্ঘটনাত অভিলেখ সংখ্যক লোকে প্ৰাণ হেৰুৱাইছে। গাড়ীৰ শেষাংশ ৫ পৃষ্ঠাত

## ডেলিভাৰী বয়, সামাজিক মাধ্যম

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম



**ডিজিটেল বিশ্বত** প্ৰতিদিনে কথাবোৰ সলনি হয়। সমাজত কি ট্ৰেণ্ড (ধাৰা) চলে সেয়া অনুমান কৰা কঠিন শেষাংশ ২ পৃষ্ঠাত

## সংসদৰ শীতকালীন অধিৱেশনত 'এক দেশ এক নিৰ্বাচন'ৰ চৰ্চা!

**নতুন দিল্লী, ২০ নৱেম্বৰঃ** এইবাৰ সংসদৰ আগন্তুক শীতকালীন অধিৱেশনৰ সময়তে 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' সন্দৰ্ভত বিল সদনৰ মজিয়াত উত্থাপন কৰিব পাৰে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে। শেহতীয়াকৈ ৰাজনৈতিক মহলত ইয়াক লৈ জল্পনা কল্পনা আৰম্ভ হৈছে। ইয়াৰ মাজতে শেষাংশ ২ পৃষ্ঠাত

### নিবোকা চামোন চৰকাৰৰ বিৰুদ্ধে প্ৰতিখন জিলা সদৰতে ছাত্ৰ সন্থাৰ প্ৰতিবাদ

# মূল্যবৃদ্ধিক লৈ উত্তাল সমগ্ৰ ৰাজ্য




■ ৰাজ্যত অতিকৈ ভয়াৱহ হৈ পৰিছে মূল্যবৃদ্ধি ■ টুলুঙা মন্তব্যৰে সৰ্বসাধাৰণ জনতাক উপহাস নকৰিবলৈ সকীয়নি

**ই-সংবাদ, ২০ নৱেম্বৰঃ** মূল্যবৃদ্ধিৰ জুইয়ে ৰাজ্যক দহি নিয়াৰ সময়তে পলমকৈ হ'লেও সদৌ অসম ছাত্ৰ সন্থাই চৰকাৰৰ বিৰুদ্ধে আৰম্ভ কৰিছে এলানি প্ৰতিবাদী শেষাংশ ৫ পৃষ্ঠাত

### চামগুৰি, বিহালী ৫০-৫০

## অসমৰ পাঁচ সমষ্টিত বিজেপি আছে আগত



**ই-সংবাদ, ২০ নৱেম্বৰঃ** আজি মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড ৰাজ্যৰ বিধানসভাৰ ভোটগ্ৰহণৰ লগতে ১৩ নৱেম্বৰত কেৰালাৰ বায়নাড লোকসভা শেষাংশ ৪ পৃষ্ঠাত

## এগজিট প'লত মহাৰাষ্ট্ৰত আকৌ একনাথ সিন্ধে চৰকাৰ, ঝাৰখণ্ডত ছোৰেনৰ পতন

**নতুন দিল্লী, ২০ নৱেম্বৰঃ** মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ অন্ত পৰাৰ পিছতে এতিয়া প্ৰকাশ পাইছে বিভিন্ন সংস্থাই প্ৰকাশ শেষাংশ ৩ পৃষ্ঠাত




### উৎপল শৰ্মাৰ নতুন অভিধা

## যোগী এডিডাছ, হিমন্ত বিশ্ব এবিবাছ!



**ই-সংবাদ, ২০ নৱেম্বৰঃ** ঝাৰখণ্ডত চাৰিটা মাহ ব্যস্ত থাকি অসমলৈ আহিয়েই সাম্প্ৰদায়িকতাৰ খেল খেলিছে মুখ্যমন্ত্ৰীয়ে। অসম শেষাংশ ৬ পৃষ্ঠাত

## পাকিস্তানত নিহত ১২ সেনা

**কৰাচী, ২০ নৱেম্বৰঃ** পাক সেনাৰ শিবিৰত সংঘটিত আত্মঘাতী আক্ৰমণত নিহত হয় ১২ জন শেষাংশ ৬ পৃষ্ঠাত

## জামিনৰ ৰায় ৰাখিলে সংৰক্ষিত

**ই-সংবাদ, ২০ নৱেম্বৰঃ** চুমি বৰাৰ জামিন নাকচ কৰাৰ পিছতে শেষাংশ ৪ পৃষ্ঠাত

## এআৰ ৰহমানৰ বিবাহ বিচ্ছেদক লৈ দেশত তুমুল চৰ্চা

### সতীৰ্থ শিল্পীৰো বিচ্ছেদ!

**মুম্বাই, ২০ নৱেম্বৰঃ** অন্ত পৰিল সুদীৰ্ঘ ২৯ বছৰীয়া বৈবাহিক জীৱনৰ। ছ'চিয়েল মিডিয়াত এক আবেগিক পোষ্টযোগে পত্নী ছাইৰা বানুৰ সৈতে বিবাহ বিচ্ছেদৰ শেষাংশ ৩ পৃষ্ঠাত

### জনজাতিকৰণৰ নামত প্ৰতাৰণা চৰকাৰৰ!

## শিৱসাগৰত আটাছুৰ জোঁৰ সমদল, উত্তাল ৰাজপথ

**ই-সংবাদ, শিৱসাগৰ, ২০ নৱেম্বৰঃ** জনজাতিকৰণৰ নামত বিজেপি চৰকাৰে চৰম প্ৰতাৰণা কৰিছে শেষাংশ ৭ পৃষ্ঠাত



## অখিল গগৈক দুটাকৈ মন্ত্ৰী পদ দিব হিমন্তই!

**ই-সংবাদ, ২০ নৱেম্বৰঃ** ঝাৰখণ্ডৰ নিৰ্বাচনত প্ৰায় চাৰিটা মাহ ব্যস্ত থাকি আহিয়েই পুনৰ নিজ ৰাজ্যত সক্ৰিয় হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। আজি শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডেলিভাৰী বয়, সামাজিক মাধ্যম

হৈ পৰে। পূৰ্বতে আমি কেৱল বাতৰি কাকত আৰু সন্ধিয়াৰ ৭ বজাৰ বাতৰিটোৰ ভৰসাত থাকিছিলো। সেই সময়ত সমাজৰ ধাৰা আৰু চিন্তা কেতবোৰ মুষ্টিমেয় বিদ্বান (সমাজে নিৰ্বাচন কৰা) লোকেহে নিৰ্ধাৰণ কৰিছিল। বাতৰি কাকত বা সন্ধিয়াৰ বাতৰিটোৱে আমাক খবৰবোৰ দিছিল আৰু সেই খবৰবোৰৰ আঁৰৰ পৰ্যালোচনা যিভাৱে আগবঢ়োৱা হৈছিল সেই ধৰণে বৃহত্তৰ জনতাই গ্ৰহণ কৰিছিল।

কিন্তু বিগত এটা দশকৰ অধিক কাল ই-মাধ্যমত ব্যাপক পৰিৱৰ্তন আহিছে। তথ্য প্ৰযুক্তিৰ উত্থানে কথাবোৰ এতিয়া সলনি কৰিছে। অৰ্থনৈতিকভাৱে মানুহ কিমান স্বচ্ছল হৈছে সেয়া আলোচনা কৰাৰ তথ্য নাই কিন্তু এতিয়াৰ জনতা সমাজত সংঘটিত সৰু-বৰ প্ৰতিটো ঘটনা প্ৰৱাহৰ সৈতে সমানেই জড়িত হৈ পৰিছে। এইক্ষেত্ৰত যাদুকৰী প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে সামাজিক মাধ্যমে। সামাজিক মাধ্যমৰ বিভিন্ন আহিলাই এতিয়া সকলো নাগৰিকক আপডেট কৰি ৰাখে। অৱশ্যে সামাজিক মাধ্যমৰ নেৰেটিভো একাংশ বুদ্ধিমানে নিজৰ ধৰণে নিৰ্ধাৰণ কৰে বুলি প্ৰায়ে অভিযোগ উত্থাপিত হৈ আহিছে।

কেইদিনমান পূৰ্বে গুৱাহাটী মহানগৰৰ ফাঁচী বজাৰ এলেকাত ট্ৰেফিক আইন নমনাৰ অভিযোগত বৰবৰা উপাধিৰ এজন আৰক্ষী বিষয়াই খাদ্য সেৱাৰ সৈতে জড়িত সংস্থাৰ কৰ্মচাৰী এগৰাকীক ৰাজপথতে বেয়াকৈ মাৰধৰ কৰে। তেওঁ আনকি খাদ্য সেৱাৰ ডেলিভাৰী ল'ৰাজনক থানাতো মাৰধৰ কৰাৰ অভিযোগ হাজৰিকা উপাধিৰ ডেলিভাৰী সেৱাৰ যুৱকজনে অভিযোগ কৰে। উল্লেখ্য যে ৰাজপথত আৰক্ষী বিষয়াগৰাকীয়ে যুৱকজনক মাৰধৰ কৰাৰ ভিডিঅ' নাগৰিকে নিজৰ কেমেৰাত বন্দী কৰা আৰু সেয়া সামাজিক মাধ্যমত দি দিয়া কাৰ্যই ঘটনাটোক অন্য দিশলৈ গতি কৰায়। মন কৰিবলগীয়া কথা এয়াই যে ঘটনাটো যদিহে কেমেৰাত বন্দী নহ'লহেঁতেন তেন্তে এই ঘটনাটোৱে ইমান সমবেদনা বা চৰ্চা লাভ কৰিবলৈ সক্ষম হ'লহেঁতেন নে নাই সেয়া প্ৰশ্নবোধক?

সেয়া বাৰু যিয়েই নহওক, আৰক্ষীয়ে মাৰধৰ কৰাৰ ভিডিঅ'টো সামাজিক মাধ্যমত বনজুইৰ দৰে বিয়পি পৰাত অভিযুক্ত বিষয়াগৰাকীৰ বিৰুদ্ধে শীৰ্ষ আৰক্ষী বিষয়াই তুৰন্তে ব্যৱস্থা গ্ৰহণ কৰি তেওঁক সাময়িক অব্যাহতি দিয়াৰ লগতে তেওঁৰ বিৰুদ্ধে গোচৰো ৰুজু কৰি দায়িত্ব পালন কৰিছে। অৰ্থাৎ Quick Justice! কিন্তু ভিডিঅ'টো যিমানেই ভাইৰেল হৈছে সিমানেই ইয়াৰ চৰ্চা চলিছে। আৰক্ষী বিষয়াগৰাকীৰ বিৰুদ্ধে এতিয়া বিভিন্ন দল-সংগঠন তথা নাগৰিক সৰৰ হৈ বিশেষ শাস্তিমূলক ব্যৱস্থা দাবী কৰিছে। সেয়া আইনী বিষয়, গতিকে সেয়া নীতিমতে হৈ থাকিব। কিন্তু প্ৰশ্ন হয়?

আৰক্ষীয়ে এজন যুৱক মানে সাধাৰণ নাগৰিকক ৰাজপথত মাৰপিট কৰাৰ সময়ত কিয় সেই স্থানত উপস্থিত থকা ৰাইজে (আনকি যিয়ে ঘটনাটো কেমেৰাত বন্দী কৰিছে) মাত নামাতিলে? কি কাৰণত ৰাইজ সেই সময়ত কেৱল নীৰৱ দৰ্শক হৈ থাকিল।

সামাজিক মাধ্যমৰ উত্থানৰ সময়ত এই অভিযোগ বা চৰ্চা প্ৰায়েই হৈছে যে মানুহে নিজৰ সামাজিক মাধ্যমৰ একাউন্টৰ জনপ্ৰিয়তাৰ বাবে বেছিভাগ সময় কোনো এক ঘটনাৰ চাক্ষুস বিৱৰণ নিৰৱে উপভোগ কৰি থাকে। সামাজিক মাধ্যমৰ ব্যৱহাৰকাৰী বা হাতত কেমেৰা থকা ব্যক্তিয়ে ঘটনাৰ সৈতে জড়িত হৈ নিস্পত্তিৰ মানসিকতা পৰিহাৰ কৰি সেয়া উপভোগ কৰি পাছত ভাৰ্চুৱেল পৃথিৱীত লক্ষাধিকৰ লাইক-কমেন্টৰ আশাত বন্দী হৈ পৰে। ডেলিভাৰী বয়ৰ শোষণ শীৰ্ষক ঘটনাটোৰ ক্ষেত্ৰত আমি এই মতবাদটো বিশ্বাস কৰিব পাৰোঁ।

আৰক্ষী বিষয়াই যি পদক্ষেপ লৈছে সেয়া গৰিহণাৰ যোগ্য, গতিকে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা আইনমতে হোৱা উচিত। তথাপি এই কথাটো অনস্বীকাৰ্য যে কৰ'না কালৰ লকডাউন শীৰ্ষক কাৰ্যসূচীৰ পাছত আৰক্ষীৰ লোক জনতা নিয়ন্ত্ৰণৰ নামত কেতিয়াবা কেতিয়াবা লক্ষ্মণ ৰেখাডাল অতিক্ৰম কৰা দেখা যায়। পদবীৰ জোৰত সৰ্বেসৰ্বা হৈ পৰাৰ এক মানসিকতা আমি কেতবোৰ আৰক্ষীৰ গাত দেখিবলৈ পাওঁ। এই ক্ষেত্ৰত একাংশ আৰক্ষীৰ দাগী কাণ্ডই বৃহত্তৰ আৰক্ষী বৰ্গটোক সন্দেহৰ চকুৰে চাবলৈ সাধাৰণ নাগৰিকক বাধ্য কৰিছে।

সামাজিক মাধ্যমত ডেলিভাৰী বয় শীৰ্ষক কাণ্ডটোক লৈ দুয়োপক্ষৰ মাজত বিভিন্ন দিশ সামৰি চৰ্চা হোৱা দেখিবলৈ পোৱা গৈছে। এফালে আৰক্ষীৰ কামৰ হেঁচা, একাধিক দায়িত্ব, আৰক্ষীৰ আধুনিকীকৰণ আদিৰ কথা চৰ্চালৈ অনাৰ লগতে শিক্ষিত যুৱচামে নিজৰ খৰচ মোকলাবলৈ যিকোনো পাৰ্ট টাইম চাকৰিত মকৰল হৈ পৰা, উপযুক্ত কাম বিচাৰি নোপোৱা, শিক্ষা অনুসৰি মৰ্যদাসম্পন্ন কাম উপলব্ধ নোহোৱা আদি কথাবোৰো চৰ্চালৈ আনিছে।

ডিজিটেল বিশ্বত এতিয়া সকলো মুকলি হৈছে। নাগৰিক এতিয়া সকলো চৰ্চাৰ অংশ হৈ পৰিছে। গতিকে চৰ্চাবোৰৰ কোনো উপসংহাৰ নোহোৱাকৈ সেয়া অনাদি অনন্ত কালকৈ চলি থকাৰ পৰ্যায় এটা পাইছে। মুষ্টিমেয় বুদ্ধিজীৱিৰ মতবাদ নিৰ্ধাৰণ, সমাজ নীতিৰ প্ৰচলন এতিয়া ক্ষীণ হৈ পৰিছে আৰু আৰম্ভ হৈছে জনতাৰ মতবাদ, অৱশ্যে এই সমাজ কোনদিশে সেয়াও চিন্তাৰ কাৰণ হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংসদৰ শীতকালীন অধিৱেশনত 'এক

মন কৰিবলগীয়া কথা এয়াই যে, বিগত সময়ত দেশত 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' নীতি ৰূপায়ণৰ বিষয়ে বাৰে বাৰে মত ব্যক্ত কৰি আহিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ আন আন নেতাই। যোৱা ১৫ আগষ্টত দিল্লীৰ লালকিল্লাৰ স্বাধীনতা দিৱস আৰু পিছলৈ গুজৰাটৰ কাবাৰিয়াত অনুষ্ঠিত একতা দিৱসৰ সময়তো প্ৰধানমন্ত্ৰীৰ মুখত শুনা গৈছিল এই প্ৰসংগ। দেশত সকলো নিৰ্বাচন একেলগে অনুষ্ঠিত কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ থকা প্ৰধানমন্ত্ৰী মোদীয়ে আগন্তুক শীতকালীন অধিৱেশনৰ সময়তে সংসদত এই সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। অৱশ্যে মোদীৰ এই সিদ্ধান্তক লৈ এন ডি এ মিত্ৰজোঁটৰে বহু দলে চিন্তনৰ পোষকতা কৰাত দেশত এই নীতি প্ৰৱৰ্তনৰ গতি মন্থৰ কৰিবলৈ বাধ্য হৈ পৰিছে প্ৰধানমন্ত্ৰী মোদী। দিল্লীৰ এক চৰকাৰী সূত্ৰই দাবী কৰা মতে, মিত্ৰজোঁটৰ ৰোষত পৰাৰ ভয়তে প্ৰধানমন্ত্ৰী মোদীয়ে এতিয়ালৈকে 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' সম্পৰ্কীয় বিধেয়ক সদনত উত্থাপন কৰা নাই। ইফালে বিৰোধীৰ সেউজ সংকেত অবিহনে এই নীতি দেশৰ সকলো ঠাইতে কাৰ্যকাৰী কৰাটো সম্ভৱ নহয় বুলিও ইতিমধ্যে অনুধাৱন কৰিছে বিজেপিয়ে। লক্ষণীয় যে, দেশত এক ৰাষ্ট্ৰ, এক নিৰ্বাচন নীতি কাৰ্যকৰী কৰাৰ বিৰোধিতা কৰি আহিছে কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে। এই নীতি কাৰ্যকৰী হ'লে বিভিন্ন ৰাজ্যৰ আঞ্চলিক দলসমূহৰ অস্তিত্ব নসাৎ হ'ব বুলি দাবী কৰি আহিছে বিৰোধীয়ে। ৰাজ্যসমূহৰ বিধানসভা আৰু লোকসভা নিৰ্বাচন একে সময়ত অনুষ্ঠিত কৰিলে নিৰ্বাচনী ব্যয় হ্ৰাস পাব যদিও এনে নিৰ্বাচনক ক্ষমতাসীন ৰাষ্ট্ৰীয় দলসমূহে নিজৰ ইচ্ছাৰে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব বুলিও অভিযোগ কৰে বিৰোধীয়ে। অৱশ্যে বিৰোধীৰ এনে অভিযোগ অস্বীকাৰ কৰি আহিছে বিজেপিয়ে। এনে পৰিপ্ৰেক্ষিততে ভাৰতত 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' কাৰ্যকৰী কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ থকা মোদী চৰকাৰে বিৰোধী ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনা কৰি আগবাঢ়ি যোৱাৰ চিন্তা কৰিছে আৰু সেইবাবেই দিল্লীত সৰ্বদলীয় বৈঠক আহ্বান কৰিব পাৰে বুলি চৰকাৰী সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে, অহা ২৫ নৱেম্বৰ অৰ্থাৎ সোমবাৰৰ পৰা আৰম্ভ হ'ব সংসদৰ শীতকালীন অধিৱেশন। এই অধিৱেশনৰ এদিন পূৰ্বে অৰ্থাৎ দেওবাৰে দিল্লীত অনুষ্ঠিত হ'ব মোদী চৰকাৰে আহ্বান কৰা সৰ্বদলীয় বৈঠক। চৰকাৰে 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' বিষয়ত বিৰোধী শিবিৰৰ স্থিতি বুজি পাই পানী কিমান গভীৰ সেয়া জুখিবলৈ চেষ্টা কৰিব পাৰে। এই বৈঠক সন্দৰ্ভত মঙলবাৰে নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে, "এই বৈঠকত চৰকাৰে আইন প্ৰণয়নৰ সৈতে জড়িত কাৰ্যসূচী দাখিল কৰিব।বিৰোধীয়ে উত্থাপন কৰা বিভিন্ন বিষয়ৰ ওপৰতো আলোচনা কৰা হ'ব।" অন্যহাতে দেওবাৰৰ এই সৰ্বদলীয় বৈঠকত 'ইণ্ডিয়া' মিত্ৰজোঁটৰ দলসমূহে 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' নীতি প্ৰসংগত আলোচনাৰ বিপৰীতে অগ্নিগৰ্ভ মণিপুৰ সন্দৰ্ভত চৰকাৰক ঘেৰিবলৈ চেষ্টা কৰিব পাৰে বুলি চৰ্চা চলিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এগজিট প'লত মহাৰাষ্ট্ৰত আকৌ একনাথ

কৰা নিৰ্বাচনৰ সম্ভাব্য ফলাফল। মহাৰাষ্ট্ৰৰ ২৮৮খন আসনৰ বাবে আজি একক পৰ্যায়ত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ ভোটদানৰ পুৱা সাত বজাৰ পৰা আৰম্ভ হৈ সন্ধিয়া ৬ বজাত অন্ত পৰে। মহাৰাষ্ট্ৰৰ নিৰ্বাচনত মূল প্ৰতিদ্বন্দ্বিতাখন হৈছে শাসকীয় মহাযুতি মিত্ৰজোঁট- বিজেপি, শিৱসেনা আৰু এনচিপি (অজিত পাৱাৰ ফৈদ) আৰু বিৰোধী মহাবিকাশ আঘাড়ী- কংগ্ৰেছ, শিৱসেনা (ইউবিটি) আৰু এনচিপি (শৰদ পাৱাৰ ফৈদ)ৰ মাজত। ৰাজ্যখনত ভোটগ্ৰহণৰ অন্ত পৰাৰ পিছতে একাধিক সংস্থাই প্ৰকাশ কৰিছে এগজিট প'ল। এই সমীক্ষাত তিনিটা এগজিট প'ল- মেট্ৰিজ, পিপলছ পালছ, চাণক্য ষ্ট্ৰেটেদিছ আৰু টাইমছ নাও-জেভিচিয়ে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ জয়ৰ ভৱিষ্যদ্বাণী কৰিছে। ইয়াৰ বিপৰীতে আন তিনিটা এগজিট প'ল- দৈনিক ভাস্কৰ, পি-মাৰ্ক আৰু লোকচাহি মাৰাঠী-ৰুদ্ৰাই মহাৰাষ্ট্ৰত উলম্ব চৰকাৰৰ ইংগিত প্ৰদান কৰিছে। মেট্ৰিক্স আৰু পিপলছ পালছে ৰাজ্যখনত বিজেপি মিত্ৰজোঁটৰ বৃহৎ বিজয়ৰ দাবী কৰাৰ বিপৰীতে একমাত্ৰ এগজিট প'ল এক্সিছ মাই ইণ্ডিয়াই এইবাৰ মহাৰাষ্ট্ৰত ইণ্ডিয়া মিত্ৰজোঁটৰ জয়ৰ দাবী কৰিছে। মহাৰাষ্ট্ৰৰ এগজিট প'লত চাণক্য ষ্ট্ৰেটেজিৰ মতে এনডিএয়ে লাভ কৰিব ১৫২-১৬২খন আসন। ইয়াৰ বিপৰীতে এমভিএয়ে লাভ কৰিব ১৩০-১৩৮ খন আসন আৰু অন্যান্য লাভ কৰিব ৬-৮খন আসন। দৈনিক ভাস্কৰে ৰাজ্যখনত এন ডি এক ১২৫-১৪০ খন, এমভিএক ১৩৫-১৫০ খন আৰু অন্যান্যক ২০-২৫ খন আসন প্ৰদান কৰিছে। অন্যহাতে লোকচাহী মাৰাঠী- ৰুদ্ৰাৰ মতে এন ডি এয়ে ১২৮-১৪২ খন, এমভিএয়ে ১২৫-১৪০ খন আৰু অন্যান্যই ১৮-২৩ খন আসন লাভ কৰিব। মেট্ৰিজৰ মতেও মহাৰাষ্ট্ৰত এইবাৰ নিশ্চিত বিজেপি মিত্ৰজোঁটৰ চৰকাৰ। এই এগজিট প'লত এন ডি এক ১৫০-১৭০, এম ভি এক ১১০-১৩০ আৰু অন্যান্যক ৮-১০খন আসন প্ৰদান কৰা হৈছে। পি-মাৰ্কৰ এগজিট পলত ৰাজ্যখনত দেখা গৈছে উলম্ব চৰকাৰ। সংস্থাটোৰ এগজিট প'ল অনুসৰি এইবাৰ এনডিএয়ে ১৩৭-১৫৭ খন, এমভিএয়ে ১২৬-১৪৬ খন আৰু অন্যান্যই ২-৮ খন আসন লাভ কৰিব। পিপলছ পালছৰ মতে, এন ডি এয়ে ১৭৫-১৯৫ খন, এমভিএয়ে ৮৫-১১২ খন আৰু অন্যান্য দলবোৰে ৭-১২ খন আসন লাভ কৰিবলৈ সক্ষম হ'ব। একেদৰে টাইমছ নাও-জেভিচিৰ সমীক্ষাত এন ডি এক ১৫০-১৬৭ খন, এমভিএক ১০৭-১২৫ খন আৰু বাকী দলবোৰক ১৩-১৪ খন আসন প্ৰদান কৰা হৈছে। লক্ষণীয় যে, মহাৰাষ্ট্ৰৰ নিৰ্বাচনৰ সমান্তৰালভাৱে ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনক লৈও এতিয়া বৃদ্ধি পাইছে উৎকণ্ঠা। আজি ৰাজ্যখনত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পিছতে বিভিন্ন সংস্থাৰ এগজিট প'লত শাসকীয় ঝাৰখণ্ড মুক্তি মৰ্চা নেতৃত্বাধীন ইণ্ডিয়া ব্লক আৰু বিজেপি নেতৃত্বাধীন এন ডি এৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা স্পষ্ট হৈ পৰিছে। দৈনিক ভাস্কৰ, টাইমছ নাও-জেভিচি আৰু পি-মাৰ্কে ঝাৰখণ্ডত উলম্ব বিধানসভাৰ ভৱিষ্যদ্বাণী কৰাৰ বিপৰীতে দুটা এগজিট প'ল - মেট্ৰিজ আৰু পিপলছ-এ এন ডি এ মিত্ৰজোঁটক অধিক আসন প্ৰদান কৰিছে। ইয়াৰ বিপৰীতে এক্সিছ মাইয়ে ঝাৰখণ্ডত ইণ্ডিয়া ব্লকৰ বাবে স্পষ্ট জয়ৰ ভৱিষ্যদ্বাণী কৰিছে। ঝাৰখণ্ড বিধানসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ মুঠ ৮১খন আসনৰ ভিতৰত ৪১খন আসনৰ প্ৰয়োজন। বিভিন্ন সংস্থাৰ সমীক্ষা অনুসৰি এন ডি এ, ইণ্ডিয়া ব্লকৰ এইবাৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ ইংগিত পোৱা গৈছে। এক্সিছ মাই ইণ্ডিয়াৰ তথ্য অনুসৰি এন ডি এয়ে ১৭-২৭খন, ইণ্ডিয়া এলায়েন্সে ৪৯-৫৯খন আসন আৰু আন দলসমূহে ১-৬খন আসন লাভ কৰিব পাৰে। আনহাতে, চাণক্য ষ্ট্ৰেটেজিছৰ তথ্য অনুসৰি এন ডি এয়ে ৪৫-৫০খন আৰু ইণ্ডিয়া এলায়েন্সে ৩৫-৩৮খন আসন লাভ কৰাৰ সম্ভাৱনা আছে। ইয়াত ৩-৫ খন আসন আন দলৰ বাবে যাব পাৰে। দৈনিক ভাস্কৰৰ বাতৰি অনুসৰি এন ডি এয়ে ৩৭-৪০খন আসন, ইণ্ডিয়া এলায়েন্সে ৩৬-৩৯খন আসন লাভ কৰিব পাৰে আৰু আন দলসমূহে ০-২খন আসনত সীমাবদ্ধ থাকিব। ইলেক্টৰেল এজৰ হিচাপ অনুসৰি এন ডি এয়ে ৩২খন আৰু ইণ্ডিয়া এলায়েন্সে ৪২খন আসন লাভ কৰিব পাৰে, আনহাতে আনসকলে ৭খন আসন লাভ কৰিব। মেট্ৰিজৰ এক্সিট প'লৰ তথ্য অনুসৰি এন ডি এয়ে ৪২-৪৭খন, ইণ্ডিয়া এলায়েন্সে ২৫-৩০খন আসন আৰু ১-৪খন আসন আনৰ হাতলৈ যাব পাৰে। পি-মাৰ্কে কয় যে এন ডি এয়ে ৩১-৪০খন আসন আৰু ইণ্ডিয়া এলায়েন্সে ৩৭-৪৭খন আসন লাভ কৰাৰ সম্ভাৱনা আছে, আনহাতে বাকীসকলৰ ১-৬খন আসনৰ ভিতৰত থাকিব। পিপলছ পালছৰ সমীক্ষা অনুসৰি এন ডি এয়ে ৪৪-৫৩খন আৰু ইণ্ডিয়া এলায়েন্সে ২৫-৩৭খন আসন লাভ কৰাৰ বিপৰীতে আন দলে ৫-৯খন আসন দখল কৰিব পাৰে। টাইমছ নাও-জেভিচিৰ হিচাপ অনুসৰি এন ডি এয়ে ৪০-৪৪খন আসন, ইণ্ডিয়া এলায়েন্সে ৩০-৪০খন আসন আৰু আনৰ বাবে মাত্ৰ ১খন আসন পাব পাৰে। ঝাৰখণ্ড নিৰ্বাচনৰ গড় ফলাফলৰ ভিত্তিত এন ডি এয়ে প্ৰায় ৩৯খন আসন লাভ কৰিব পাৰে, ইণ্ডিয়া এলায়েন্সে ৩৮খন আসন পোৱাৰ সম্ভাৱনা আছে, আৰু আনসকলে ৪খন আসনৰ বাবে যুঁজিব পাৰে। একাধিক সংস্থাৰ সমীক্ষাত দেখা গৈছে যে এই মুহূৰ্তত ঝাৰখণ্ডৰ ৰাজনীতিত আটাইতকৈ ডাঙৰ প্ৰশ্নটো হ'ল কোনটো মিত্ৰজোঁটে সংখ্যাগৰিষ্ঠতাৰ বাবে প্ৰয়োজনীয় ৪১খন আসনত উপনীত হ'ব পাৰে। এতিয়া এই ভৱিষ্যদ্বাণী প্ৰকৃত নিৰ্বাচনৰ ফলাফলত কিমান সত্য বুলি প্ৰমাণিত হয় আৰু চৰকাৰ গঠনৰ দৌৰত কোন ৰাজনৈতিক মিত্ৰজোঁট আগবাঢ়ি আছে সেয়া হ'ব লক্ষ্যণীয়। প্ৰণিধানযোগ্য যে, অহা ২৩ নৱেম্বৰত ঘোষণা কৰা হ'ব ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ দুয়োখন ৰাজ্যৰে বিধানসভা নিৰ্বাচনৰ ফলাফল। সেইদিনাই এগজিট প'লৰ সত্যাসত্যও স্পষ্টকৈ জানিব পৰা যাব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এআৰ ৰহমানৰ বিবাহ বিচ্ছেদক লৈ

ঘোষণা কৰিছে অস্কাৰ বিজয়ী সংগীত শিল্পী এ আৰ ৰহমানে। এই পোষ্টতে পত্নীৰ সৈতে ৩০ বছৰীয়া বিবাহ বাৰ্ষিকী উদযাপন কৰাৰ সপোন ভংগ হোৱাৰ কথাও উল্লেখ কৰিলে সংগীত শিল্পীগৰাকীয়ে। ১৯৯৫ চনত ছাইৰা বানুৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছিল এ আৰ ৰহমান। পৰৱৰ্তী সময়ত খাতিজা, ৰহমান আৰু আমিন নামৰ তিনিটা সন্তানৰ পিতৃ-মাতৃও হয় ৰহমান-ছাইৰা। তেওঁলোকৰ জ্যেষ্ঠ কন্যা খাতিজাৰ ইতিমধ্যে বিয়াও হৈ গৈছে। কিন্তু একেলগে ২৯টা বছৰ পাৰ কৰাৰ পিছত কিয় হঠাতে দুয়োজনে বিচ্ছেদৰ সিদ্ধান্ত ল'লে তাক লৈ নেটিজনৰ মনত প্ৰশ্নৰ উকমুকনি উঠিছে। অৱশ্যে এই বিবাহ বিচ্ছেদৰ আঁৰৰ কাৰণ সন্দৰ্ভত কোনো কথা কোনা নাই এ আৰ ৰহমান কিম্বা ছাইৰা বানুৱে। বিচ্ছেদ সম্পৰ্কে আনুষ্ঠানিক ঘোষণা কৰি আজি ৰহমানে এক্স হেণ্ডেলত নিজৰ আৰু ছাইৰাৰ যৌথ বক্তব্য শ্বেয়াৰ কৰে। তেওঁৰ এই পোষ্টত লিখিছে, "আমি গ্ৰেণ্ড থাৰ্টিত উপনীত হোৱাৰ আশা কৰিছিলোঁ। কিন্তু ভাগ্যৰ যে আন ইচ্ছা আছিল, সেয়া আগতে অনুমান কৰিব পৰা নাছিলো। ভগ্ন হৃদয়ৰ ভৰত ঈশ্বৰৰ সিংহাসনো দোল খাই যায়। তথাপিও আমি এই খণ্ডিত সম্পৰ্কত অৰ্থ বিচাৰি ফুৰিছো। অৱশ্যে এই ভগ্ন টুকুৰাবোৰ আগৰ দৰে পুনৰ একেলগ কৰিব নোৱাৰি। জীৱনৰ এই ভংগুৰ অধ্যায়টোত আমাৰ গোপনীয়তাৰ প্ৰতি আপোনালোকৰ উদাৰতা আৰু সন্মানৰ বাবে ধন্যবাদ বন্ধুসকল।' ইফালে সংগীতশিল্পী এ আৰ ৰহমানৰ বিবাহ বিচ্ছেদৰ ঘোষণাৰ পিছতে বিবাহ বিচ্ছেদ ঘোষণা কৰিছে তেওঁৰ বেণ্ডৰ বেছ গীটাৰিষ্ট মোহিনী দেয়েও। ছ'চিয়েল মিডিয়াত মোহিনী আৰু তেওঁৰ সুৰকাৰ স্বামী মাৰ্ক হাৰ্টছুৱে নিজৰ বিবাহৰ অন্ত ঘোষণা কৰিছে। দুয়োজনে যৌথ পোষ্টত লিখিছে, 'অতি দুখ মনেৰে আপোনালোকক জনাব বিচাৰিছো যে মাৰ্ক আৰু মই বিচ্ছেদৰ সিদ্ধান্ত লৈছো। প্ৰথমে আমাৰ বন্ধু-বান্ধৱী আৰু পৰিয়ালক জনাব বিচাৰিছো যে আমি এই সিদ্ধান্তৰ ওপৰত পাৰস্পৰিকভাৱে একমত হৈছো। কিন্তু বিচ্ছেদ হোৱাৰ পিছতো আমি ইজনে সিজনৰ লগত বন্ধুত্ব ৰক্ষা কৰি যাম। আমাৰ দুয়োৰে ইচ্ছা ভিন্ন হোৱাৰ বাবে আমি পাৰস্পৰিক বুজাবুজিৰ জৰিয়তে এই সিদ্ধান্ত লৈছো। আমি পৃথক হ'লেও হাতত যি কাম আছে সেয়া অব্যাহত ৰাখিম। ভৱিষ্যতেও আমি একেলগে কাম কৰি যাম।' লক্ষণীয় যে, এ আৰ ৰহমানৰ বিবাহ বিচ্ছেদৰ পিছত তেওঁৰ বেণ্ডৰ এগৰাকী মহিলা সদস্যাৰো বিচ্ছেদৰ খবৰক লৈ নেটিজেনৰ মাজত কিছু চৰ্চাও চলিছে। দুয়োৰে বিবাহ বিচ্ছেদৰ সিদ্ধান্ত এক কাকতালীয় সংযোগ নে ইয়াৰ আঁৰত আন কোনো সন্মিলিত উদ্দেশ্য আছে, তাক লৈও একাংশই সন্দেহ প্ৰকাশ কৰিছে আৰু নেট দুনীয়া উত্তাল হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ পাঁচ সমষ্টিত বিজেপি আছে

সমষ্টি আৰু কেইবাখনো ৰাজ্যৰ বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। ১৩ নৱেম্বৰত অসমতো ৫ সমষ্টিত অনুষ্ঠিত হৈ গৈছে উপ-নিৰ্বাচনৰ ভোট। ২৩ নৱেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। আজি মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ সমাপ্ত হোৱাৰ পাছতে এগজিট প'লসমূহ প্ৰকাশ পায়। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ ভোটগ্ৰহণ সমাপ্তিৰ হ্‌পিছতে আজি ছয় বজাতে প্ৰকাশিত এগজিট প'লে দুয়োখন ৰাজ্যতে বিজেপিয়ে সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰাৰ স্পষ্ট ইংগিত দিছে। যাৰ ফলত বিজেপিৰ নেতা-কৰ্মীয়ে উল্লাস প্ৰকাশ কৰা দেখা গৈছে। ইপিনে অসমৰ ৫ সমষ্টিক লৈও ব্যাপক জল্পনা-কল্পনা আৰম্ভ হৈছে। অসমৰ পাঁচ সমষ্টি ধলাই, বঙাইগাঁও, চিদলী, চামগুৰি আৰু বিহালী সমষ্টি কাৰ দখললৈ যাব তাক লৈ চৰ্চা আৰম্ভ হৈছে। ৫ সমষ্টিত কংগ্ৰেছ আৰু এনডিএ' মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ মাজত মুখ্য প্ৰতিদ্বন্দ্বিতা হৈছে। ইয়াৰ কোনটো দলে কেইখন আসন পাব তাকে লৈ 'নিউজ নেক্সট ওৱান'-এ এক সমীক্ষা চলাইছিল। এই সমীক্ষাত বিজেপি নেতৃত্বাধীন এনডিএৰ সপক্ষে তিনিখন আসন যাব পাৰে। বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰী, চিদলীত ইউপিপিএলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু ধলাইৰ বিজেপি প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থ জয়ী হোৱাৰ স্পষ্ট ইংগিত দিছে সমীক্ষাই। আনহাতে চামগুৰি আৰু বিহালী সমষ্টিত বিজেপি আৰু কংগ্ৰেছ দুয়োটা দলৰেই জয়ৰ সম্ভাৱনা ৫০-৫০। চামগুৰিত কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইন আৰু বিহালীত কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰা জয়ী হ'লেও কাণে কাণে মাৰিহে জয়ী হ'ব পাৰে বুলি অনুমান কৰা হৈছে। চামগুৰি সমষ্টিৰ শিঙিমাৰী এলেকাই এইবাৰ নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। কিয়নো চামগুৰি সমষ্টিৰ সংখ্যালঘু এলেকা শিঙিমাৰীত পূৰ্বে ৰকিবুল হুছেইনে ২৮ হাজাৰলৈ ভোট লাভ কৰিছিল। কিন্তু এইবাৰ মানুহ ঘৰৰ পৰা ওলাই আহি ভোট দিব পাৰিছেনে নাই সেই কথা স্পষ্ট হোৱা নাই। যদি শিঙিমাৰী এলেকাত ৰকিবুল হুছেইনৰ পুত্ৰই ১৫ হাজাৰতকৈ ভোট কম লাভ কৰে তেন্তে চামগুৰি আসনখন বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মাৰ হাতলৈ যাব। ইতিমধ্যে শিঙিমাৰী এলেকাত বুথ কেপচাৰিং আৰু ৰিগিং হোৱাৰ অভিযোগ উঠাই আহিছে খোদ তাঞ্জিল হুছেইন আৰু কংগ্ৰেছী নেতাসকলে। এই এলেকাটোৰ কংগ্ৰেছৰ মজিবুৰ নামৰ লোকজনক বিজেপিয়ে হাতত লৈ খেলা কৰাৰ অভিযোগ উঠিছে। ভোটৰ দিনা শিঙিমাৰীৰ ভোটাৰক ঘৰৰ পৰা ওলাব নিদিয়াৰ অভিযোগ উঠিছে। যদি তেনে হয় তেন্তে কংগ্ৰেছৰ প্ৰাৰ্থীৰ পৰাজয় আৰু বিজেপিৰ প্ৰাৰ্থী বিজয় হ'ব। চামগুৰি সমষ্টিত কেবাগৰাকী সংখ্যালঘু লোকে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে থিয় দিছে। এনে পৰিস্থিতিতি সংখ্যালঘু ভোট বিভাজন হোৱাৰ আশংকা আছে। চামগুৰি সমষ্টিত মুখ্য প্ৰতিদ্বন্দ্বিতা কংগ্ৰেছ আৰু বিজেপিৰ মাজতে হৈছে। বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মা আৰু কংগ্ৰেছৰ তাঞ্জিল হুছেইনৰ মাজত হৈছে প্ৰতিদ্বন্দ্বিতা। নুৰুল আমিন চৌধুৰী, ৰবুল হক, মোছাব্বিৰ আলি আহমেদ, আব্দুল মাজিদ, বীৰেন বচাক, ফাতেমা খাতুন, শশী তাতী, জেহিৰুল ইছলাম আৰু আব্দুছ চবুৰ মিঞাই নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিটিআৰৰ চিদলীত ত্ৰিকোনীয় প্ৰতিদ্বন্দ্বিতা হৈছে। ইউপিপিএলৰ নিৰ্মল কুমাৰ ব্ৰহ্ম, বিপিএফৰ শুদ্ধ বসুমতাৰী আৰু কংগ্ৰেছৰ সঞ্জীৱ ৱাৰীৰ মাজত প্ৰতিদ্বন্দ্বিতা হৈছে যদিও সমীক্ষা মতে শেষ হাঁহি মাৰিব নিৰ্মল কুমাৰ ব্ৰহ্মই। কিয়নো বড়ো জনগোষ্ঠীৰ লগতে সাধাৰণ শ্ৰেণী আৰু অন্যান্য জনজাতীয় লোকৰ ভোট বিজেপিৰ বাবে ইউপিপিএলৰ প্ৰাৰ্থীগৰাকী লাভ কৰিব বুলি সমীক্ষাত ওলাই পৰিছে। আটাইকেইজন প্ৰাৰ্থীয়ে তীব্ৰ প্ৰচাৰ চলোৱাত নিৰ্বাচনী পৰিৱেশ গৰম হৈ পৰিছিল যদিও প্ৰতিদ্বন্দ্বিতা ত্ৰিকোনীয়া হৈছে। নামনি অসমৰ আন এটা সমষ্টি বঙাইগাঁৱত কংগ্ৰেছ আৰু অগপৰ মুখামুখি প্ৰতিদ্বন্দ্বিতা হৈছে। বঙাইগাঁৱত নিৰ্দলীয়সহ প্ৰাৰ্থী ৮গৰাকী প্ৰাৰ্থী আছে যদিও এনডিএৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰী আৰু কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিনহাৰ মাজত মুখ্য প্ৰতিদ্বন্দ্বিতা হৈছে। এছইউচিআইৰ মৃত্যুঞ্জয় ৰাভা, নিৰ্দলীয় তথা প্ৰাক্তন অগপ নেতা শৈলেন্দ্ৰ সৰকাৰ, অনুপ কুমাৰ কৰ্মকাৰ, ভদ্ৰেশ্বৰ বৰ্মন, গৌতম ৰায় আৰু দীপক দাসে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিজেপিৰ সমৰ্থকৰ ভোট লাভ কৰিছে অগপ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়ে। প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰী স্বামী ফণীভূষণ চৌধুৰীৰ দুৰ্গ খহাবলৈ সক্ষম নহ'ল নিৰ্দলীয় প্ৰাৰ্থীসকল। অগপ এৰি অহা নেতা শৈলেন্দ্ৰ সৰকাৰে এগৰাকী শক্তিশালী প্ৰাৰ্থী যদিও নিৰ্বাচনী প্ৰচাৰৰ সময়ত বিশেষ প্ৰভাৱ পেলাব নোৱাৰাত দীপ্তিময়ী চৌধুৰী জয়ী হ'ব বুলি সমীক্ষাই স্পষ্ট কৰিছে। বিহালী উপ-নিৰ্বাচনতো কংগ্ৰেছ আৰু বিজেপিৰ মাজত প্ৰতিদ্বন্দ্বিতা হৈছে। বিহালীত চাৰিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিজেপিৰ দিগন্ত ঘাটোৱাৰ, কংগ্ৰেছ জয়ন্ত বৰা, চিপিআইএমএলৰ লক্ষীকান্ত কুৰ্মী আৰু আপৰ অনন্ত গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। কংগ্ৰেছৰ জয়ন্ত বৰাৰ এক পকেট ভোট আছে। লগতে কংগ্ৰেছৰো এক পকেট ভোট আছে। ইপিনে বিহালীত সাংসদ গৌৰৱ গগৈৰ তৎপৰতাৰ ফলত বিজেপিৰ দিগন্ত ঘাটোৱাৰৰ পৰিৱৰ্তে কংগ্ৰেছৰ জয়ন্ত বৰা কানে কান মাৰি জয়ী হ'ব পাৰে সমীক্ষাত ওলাই পৰিছে। কিন্তু চাহ জনগোষ্ঠীৰ প্ৰাৰ্থী আৰু বিজেপিৰ সম্পূৰ্ণ শক্তিটোৰে কাম কৰাৰ ফলত বিজেপিৰ দিগন্ত ঘাটোৱাৰে সমীক্ষাক ভুল বুলি প্ৰমাণিত কৰিব পাৰে। ধলাই সমষ্টিত যদিও ৮গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে তথাপিও কংগ্ৰেছ বিজেপিৰ মাজত প্ৰতিদ্বন্দ্বিতা হৈছে। বিজেপিৰ নিহাৰ ৰঞ্জন দাস, কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থ, নিৰ্দলীয় অমলেন্দু দাস, ধীৰাজ দাস, দিলীপ কুমাৰ ধুবী, পৰিমল দাস, ৰাজু দাস আৰু গৌৰ চন্দ্ৰ দাসে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাইত সমষ্টিত বিজেপিৰ নিহাৰ ৰঞ্জন দাস, কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ মাজত মুখ্য প্ৰতিদ্বন্দ্বিতা হৈছে। কিন্তু শেষ হাঁহি কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থই মাৰিব বুলি সমীক্ষাই কয়। কিন্তু ৫ সমষ্টিত শেষ হাঁহি কোনে মাৰিব তাৰ বাবে অপেক্ষা কৰিব লাগিব ২৩ নৱেম্বৰলৈ। বঙাইগাঁও সমষ্টিত ১,৮২,৩৫৪ গৰাকী, বিহালী সমষ্টিত ১,৩২,৫৭৯ গৰাকী, ধলাই সমষ্টিত ১,৯৭,৬৪২ গৰাকী, চিদলীত সমষ্টিত ২,১৭,২৩৬ গৰাকী, চামগুৰি সমষ্টিত ১,৮০,৮৫৪ গৰাকী ভোটাৰ আছে। ৫ সমষ্টিত মুঠ ভোট হৈছে ৯ লাখ ১০ হাজাৰ। ধলাইত ২০৮টা, চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, বিহালীত ১৫৪টা, চামগুৰিত ১৯৭টা ভোটকেন্দ্ৰ আছে। মুঠ ১ হাজাৰ ৭৮টা কেন্দ্ৰত ৰাইজে ভোটদান কৰিছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# জামিনৰ ৰায় ৰাখিলে সংৰক্ষিত

তেওঁৰ স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভাতৃ আৰু বিশাল ফুকন আৰু শোভন জ্যোতি কুৰ্মীৰ জামিনৰ ৰায় আজি সংৰক্ষিত কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। ট্ৰেডিং কেলেংকাৰীৰে জড়িত তিনি অভিযুক্তৰ জামিনৰ ৰায় ২৬ নৱেম্বৰলৈ সংৰক্ষণ কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। আজি ন্যায়ালয়ত বিশাল ফুকন, তাৰ্কিক আৰু শোভনৰ জামিনক লৈ শুনানি অনুষ্ঠিত হৈছিল। শুনানিৰ অন্তত ন্যায়াধীশে ৰায়দান সংৰক্ষিত ৰাখে। পূৰ্বে ট্ৰেডিং কেলেংকাৰীৰৰ আন দুই অভিযুক্ত স্বপ্নীল দাস আৰু চন্দন নাথৰ জামিনৰ শুনানি অনুষ্ঠিত হৈ গৈছে যদিও ৰায় ২৬ নৱেম্বৰত দিয়াৰ দিন ধাৰ্য কৰিছে ন্যায়ালয়ে। ১৪ নৱেম্বৰত ট্ৰেডিং কেলেংকাৰীৰ অভিযুক্তসকলৰ জামিনৰ শুনানি অনুষ্ঠিত কৰাৰ দিন ধাৰ্য্য কৰা হৈছিল যদিও ন্যায়ালয়ে শুনানিৰ দিন স্থগিত ৰাখে। উচ্চ ন্যায়ালয়ে ১৪ নৱেম্বৰত গোচৰৰ ডায়েৰী দাখিল কৰিবলৈ চিবিআইক নিৰ্দেশ দিছিল আৰু উক্ত দিনাই জামিনৰ শুনানিৰ দিন ধাৰ্য কৰা হৈছিল যদিও তে আজি শুনানি অনুষ্ঠিত হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ত চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাসহ কেবাজনো ট্ৰেডিং কেলেংকাৰীৰ অধিবক্তাই জামিন আবেদন কৰিছে। ইতিমধ্যে চুমি বৰাৰ দেওৰ তথা তাৰ্কিকৰ ভাতৃ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে। চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক ডিব্ৰুগড়ৰ পৰাৰ আনি ২৬ এপ্ৰিলত গুৱাহাটীৰ আদালতত হাজিৰ কৰোৱা হৈছিল। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হৈ থকা চুমি বৰা, স্বামী তাৰ্কিক বৰা, বিশাল ফুকনসহ ট্ৰেডিং কেলেংকাৰীৰ জড়িত মুঠ ৬ কয়দী গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আছে। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰত তদন্তৰ দায়িত্ব চিবিআইকো অৰ্পণ কৰিছে ৰাজ্য চৰকাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীৰ বাৰত বিক্ৰী হয় ড্ৰাগছ! বাৰক

ছীটবেল্ট নামাৰিলে, হেলমেট নিপিন্ধিলে, সময় মতে ফিজ জমা নকৰিলে জৰিমনা বিহা পৰিবহন বিভাগ তথা আৰক্ষী প্ৰশাসনেও দুৰ্ঘটনা ৰোধ কৰিবলৈ সক্ষম হোৱা নাই। ৩১ ডিচেম্বৰৰ নিশা, ভোগালী বিহুৰ নিশা মুখ্যমন্ত্ৰীয়ে খোদ ৰাজপথলৈ ওলাই আহি দুৰ্ঘটনা ৰোধ কৰিবলৈ আৰক্ষীৰ দল লৈ ৰাজপথত তহল দিয়ে যদিও পথ দুৰ্ঘটনাই অভিলেখ সৃষ্টি কৰিছে। বিগত তিনিটা বছৰৰ ভিতৰত চলিত বৰ্ষত এতিয়ালৈ সৰ্বাধিক লোকে প্ৰাণ হেৰুৱাইছে। চলিত বৰ্ষত গুৱাহাটীত ২৬৯ জন লোকৰ মৃত্যু হৈছে। ইয়াৰ বাবে মদ্যপান, গুৱাহাটীৰ বাৰ সমূহক দোষাৰোপ কৰা হয়। কিয়নো প্ৰায় নিশা বাৰৰ পৰা ওলাই অহা লোকে দুৰ্ঘটনা সংঘটিত হয়। ৰাজকন্যাৰ পৰা আৰম্ভ কৰি দীপিত দে', কনামিকা বসুমতাৰীলৈক বাৰৰ পৰা ওলাই আহি পথ দুৰ্ঘটনা সংঘটিত কৰিছিল। ২০২১ চনৰ ১ অক্টোবৰত সুৰাপান কৰি গাড়ী চলাই ৰাজ কন্যাই মহতিয়াই নিছিল ৮ শ্ৰমিকক। তাৰে জোচেফ মাৰাক নামৰ শ্ৰমিকগৰাকীৰ এখন ভৰি হেৰুৱাই পাছত মৃত্যু হয়। এনে কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হৈছে গুৱাহাটীত। গুৱাহাটী মহানগৰ প্ৰশাসন, আবকাৰী বিভাগ আৰু গুৱাহাটী আৰক্ষীৰ চকু খোল খোৱা নাছিল। কিন্তু শেহতীয়াকৈ দীপাৱলীৰ নিশা খানাপাৰাত দুৰ্ঘটনাত পতিত হৈ ছাত্ৰ দীপিত দে' আৰু কনামিকা বসুমতাৰী নামৰ যুৱক-যুৱতীৰ মৃত্যু হয়। সেই নিশা এখন বাৰৰ পৰা ওলাই পিতৃয়ে কিনি দিয়া স্কৰপিঅ' চলাই প্ৰাণ হেৰুৱাইছিল দীপিত দে' আৰু কনামিকা বসুমতাৰীয়ে। ২০২১ চনৰ ৰাজকন্যাৰ ঘটনাৰ পিছতে যদিও আবকাৰী আৰু আৰক্ষী কঠোৰ হেলহেঁতেন তেন্তে হয়তো দীপিত আৰু কনামিকাই প্ৰাণ হেৰুৱাবলগীয়া নহলহেঁতেন। পলম হৈছে যদিও এইবাৰ গুৱাহাটী মহানগৰ প্ৰশাসন, আবকাৰী বিভাগ আৰু গুৱাহাটী আৰক্ষীৰ চকু খোল খালে। আবকাৰী বিভাগ আৰু গুৱাহাটী আৰক্ষীয়ে দুৰ্ঘটনাৰ অন্যতম কাৰক বাৰসমূহক নাকী লগাবলৈ পণ লৈছে। আজি আবকাৰী আয়ুক্ত, আৰক্ষী আয়ুক্ত আৰু জিলা আয়ুক্ত আজি বাৰ, ৰেষ্টুৰেণ্টৰ মালিকৰ সৈতে বৈঠক অনুষ্ঠিত কৰে। আবকাৰী বিভাগে গুৱাহাটীৰ ওভতগোৰে নচা বাৰসমূহক নাকী লগোৱাৰ ইংগিত দিছে। এমাহৰ ভিতৰত সকলো বাৰ কৰ্তৃপক্ষক চিচিটিভি লগাবলৈ কঠোৰ নিৰ্দেশ দিছে। অত্যাধিক সুৰাপান কৰি মাতাল হোৱা লোকসকলৰ বাবে বিশেষ ব্যৱস্তা ৰাখিব লাগিব প্ৰতিখন বাৰে। মাতাল লোকজনক মাতাল অৱস্থাত গাড়ী চলাই ঘৰলৈ যাব দিব নোৱাৰিব বাৰ কৰ্তৃপক্ষই। তেনে লোকে ৰাস্তাত গাড়ী চলাই গ'লে চলোৱা লোকজনৰ লগতে বাৰ কৰ্তৃপক্ষ দায়ী হ'ব। প্ৰতিখন বাৰ কৰ্তৃপক্ষই বাৰত অতিৰিক্ত চালক মজুত ৰাখিব লাগিব। যদি কোনো গ্ৰাহকে গাড়ী চলাই যাব নোৱাৰা অৱস্থা হয় তেন্তে সেই গ্ৰাহকজনক বাবৰ চালকে গাড়ীখন চলাই ঘৰত থৈ আহিব লাগিব। আবকাৰী আয়ুক্ত, আৰক্ষী আয়ুক্ত আৰু জিলা আয়ুক্তই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। গুৱাহাটীৰ বাৰ, ৰেষ্টুৰেণ্টত ড্ৰাগছৰ বেহা চলোৱাৰ অভিযোগ উত্থাপন কৰিছে। আৰক্ষী আয়ুক্তই কয় যে ব্যৱসায় কৰক, কিন্তু চৰকাৰে দিয়া নিয়মসমূহ মানি চলিব লাগিব। বহুতে নিয়ম মানিছে আৰু বহুতে মনা নাই। প্ৰশাসনক জগৰীয়া কৰি থাকিলে নহ'ব। লগতে তেওঁ অভিযোগ কৰা মতে, মহানগৰীৰ বহুকেইখন বাৰ এণ্ড ৰেষ্টুৰেণ্টত ড্ৰাগছ বিক্ৰী হয়। অপৰাধজনিত ঘটনাৰ তদন্তত এই কথা পোহৰলৈ আহিছে। কোন কোন বাৰত ড্ৰাগছ বিক্ৰী কৰা হয় সকলো ডাটা আছে আমাৰ লগত। এইখিনি অতি সোনকালে বন্ধ নকৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বহু যুৱতী-মহিলা বাৰ বা ৰেষ্টুৰেণ্ট লৈ যায়। যুৱতীক সুৰা ফ্ৰীত দিয়ে। সুযোগ লৈ বহু যুৱতী বাৰসমূহলৈ যায় আৰু অচিনাক্ত ব্যক্তিক টাৰ্গেট কৰে। তাৰ পিছত যুৱতীগৰাকীৰ লগত বহু নহ'বলগীয়া ঘটনা হয়। ২০২২ চনত গুৱাহাটীত ২৫৩ জন লোকৰ মৃত্যু হৈছে আৰু আহত হৈছে ৫১২ জন। ২০২৩ চনত গুৱাহাটীত ২৬৭ জন লোকৰ মৃত্যু হৈছে আৰু আহত হৈছে ৫৩৫ জন। চলিত বৰ্ষত গুৱাহাটীত ২৬৯ জন লোকৰ মৃত্যু হৈছে আৰু আহত হৈছে ৮১৮ জন লোক আহত হৈছে। এতিয়া নতুন নিয়মৰ পিছত দুৰ্ঘটনা হ্ৰাস পাই নে বাঢ়েহে সেয়া সময়েহে ক'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মূল্যবৃদ্ধিক লৈ উত্তাল সমগ্ৰ ৰাজ্য

কাৰ্যসূচী। দিনদিয়েক পূৰ্বে লোৱা সিদ্ধান্ত অনুযায়ী আজি সমগ্ৰ অসমৰ প্ৰতিখন জিলা সদৰতে আছুৱে প্ৰতিবাদ জনাই মূল্যবৃদ্ধি ৰোধ কৰিব নোৱৰা চৰকাৰখনক জবাবদিহি কৰে। উল্লেখ্য যে, অসমৰ এক শ্ৰেণীৰ লোকৰ এতিয়া চৌকা জ্বলাব নোৱাৰা পৰিস্থিতি আহি পৰিছে। মূল্যবৃদ্ধিৰ জুইয়ে জনসাধাৰণৰ একপ্ৰকাৰ কোঙা কৰি পেলাইছে। আন খ্যদ্য-সামগ্ৰীটো বেলেগ কথা নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দাম হৈ পৰিছে আকাশলংঘী। কেজিয়ে প্ৰতি আলু ৫০ টকা, পিঁয়াজ ৯০ টকালৈ হোৱাত জনগণৰ ক্ৰয় ক্ষমতা নোহোৱা হৈছে। সাধাৰণ মানুহে ত্ৰাহি ত্ৰাহি কৰিছে। কিন্তু চৰকাৰ মূল্যবৃদ্ধিৰ বিষয়ত নিবোকা চামোন হৈ আছে। তেনে অৱস্থাত সাদাৰণ মানুহৰ দুখ-যন্ত্ৰণাৰ কথা উপলদ্ধি নকৰা চৰকাৰ সাম্প্ৰদায়িক কথা-বতৰা, জিলাৰ নাম সলোৱাত ব্যস্ত। চৰকাৰৰ এনে হঠকাৰিতাৰ বিৰুদ্ধে আজি ৰাজ্যৰ জিলাসমূহৰ সদৰ উত্তাল কৰে সদৌ অসম ছাত্ৰ সন্থাই। মূল্যবৃদ্ধি ৰোধত বিফল হোৱা হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বিৰুদ্ধে আজি জিলাই জিলাই সদৰসমূহত সদৌ অসম ছাত্ৰ সন্থাৰ নেতা-কৰ্মী, সমৰ্থকে প্ৰতিবাদ সাব্যস্ত কৰিছে। জিলাই জিলাই শ-শ আছুৰ নেতা-কৰ্মীয়ে চৰকাৰ বিৰোধী শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। মুখমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপি দল, যোগানমন্ত্ৰীৰ বিৰুদ্ধে শ্ল'গান দি শীঘ্ৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনায়। ইপিনে গুৱাহাটী মহানগৰীতো সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবাদ জনায়। আজি গুৱাহাটীৰ উজানবজাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে। উজানবজাৰৰ শ্বহীদ ভৱনত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অবাধ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। খাদ্য সামগ্ৰী, ইন্ধনজাত সামগ্ৰীৰ পৰা আৰম্ভ কৰি সকলোৰ সামগ্ৰীৰ মূল্য শীঘ্ৰে হ্ৰাস কৰাৰ দাবী জনাই উজানবজাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। আছুৰ নেতাই অসমৰ বজাৰত আলু প্ৰতিকেজি ৪০ৰ পৰা ৫০ টকা, নহৰু প্ৰতিকেজি ৪০০ টকা, আদা প্ৰতিকেজি ৩০০ টকা, গাজৰ প্ৰতি কেজি ১২০ টকাত বিক্ৰী হোৱাৰ অভিযোগ আনিছে। ৰাজ্যৰ বজাৰত চৰকাৰ, প্ৰশাসনৰ কোনো নিয়ন্ত্ৰণ নাই নথকাত যিয়ে যেনেকৈ পাৰিছে তেনেকৈ খাদ্য-সামগ্ৰী বিক্ৰী কৰি গৈছে। ইয়াৰ পূৰ্বে ১১ নৱেম্বৰত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিখন আঞ্চলিক সমিতিয়ে যোগান মন্ত্ৰী ৰণজিৎ দাসৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছিল। ৯ নৱেম্বৰত আছুৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহকত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত লৈছিল। এতিয়া সদৌ অসম ছাত্ৰ সন্থাই মূল্যবৃদ্ধিক লৈ প্ৰতিবাদ জনোৱাৰ পিছত চৰকাৰে বিষয়টোক লৈ কি কৰে সেয়া লক্ষণীয় হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগী এডিডাছ, হিমন্ত বিশ্ব এবিবাছ!

পায়েই কেবিনেট পাতি কৰিমগঞ্জ জিলাৰ নাম সলাই চমক দিব খুজিছে। যিটো সময়ত মূল্যবৃদ্ধিৰ ফলত বহু মানুহে ঘৰত চৌকা জ্বলাব পৰা নাই সেই সময়ত মুখ্যমন্ত্ৰীয়ে ৰাইজৰ মাজত এটা সাম্প্ৰদায়িক বিষয়া মেলি দি মানুহক ব্যস্ত কৰিব খুজিছে। মুখ্যমন্ত্ৰীয়ে হয়তো অৱগত নহয় যে অসমৰ মানুহে আলু ৫০ টকা পিঁয়াজ ৯০ টকাকৈ কেজি প্ৰতি কিনিবলগীয়া হৈছে। নহৰু ৪০০ টকা কিলো কিনিবলগীয়া হৈছে। তেনে সময়তে মুখ্যমন্ত্ৰীয়ে মানুহক সাম্প্ৰদায়িক বিষয়া এটাক গিলি মৌলিক বিষয়াসমূহক লঘু কৰিবলৈ প্ৰয়াস কৰিছে যদিও মুখ্যমন্ত্ৰীৰ প্ৰয়াস সফল নহ'ল যেন অনুমান হৈছে। কিয়নো সততে এনে সাম্প্ৰদায়িক বিষয়াৰ পৰা আতৰি থকা অসমৰ জাতীয় সংগঠন সদৌ অসম ছাত্ৰ সন্থাই জিলাৰ নাম সলনি কৰাত তীব্ৰ আক্ৰমণ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই মানুহক ক্ষুৰধাৰ সমালোচনা কৰি মৌলিক সমস্যাসমূহ তল পেলাবলৈ এনে তৰল বিষয়া ৰাইজৰ মাজলৈ অনা বুলি অভিযোগ আনে। এখন সংবাদমেল সম্বোধন কৰি উৎপল শৰ্মাই কয় যে মানুহৰ মৌলিক সমস্যাসমূহ পৰা চকু আতৰাই অদৰকাৰী কথাত ব্যস্ত কৰোৱাৰ এইবোৰ হৈছে এটা এটা কৌশল। জিলাখনৰ নাম মুখ্যমন্ত্ৰীয়ে সলনি কৰিছে। এতিয়াৰ পৰা জিলাখনৰ মানুহে ৰন্ধন গেছৰ চিলিণ্ডাৰ ৪০০ টকাত পাব নেকি? জিলাখনৰ নাম সলনি কৰা হ'ল, সেই জিলাখনৰ মানুহে এতিয়াৰ পৰা টোল টেক্সৰ পৰা মুক্তি পাব নেকি? সেই জিলাখনৰ যাতায়তৰ অৱস্থা সুচল হৈ যাব নেকি? সেই কথা মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰক। নাম সলোৱাৰ লগে লগে সেই জিলাখনৰ মানুহে গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা কৰিবলৈ আহিলে সেই মূল্যবৃদ্ধিৰ পৰা পৰিত্ৰাণ পাব নেকি? তাৰ শিক্ষা-দীক্ষাৰ অৱস্থা উন্নত হৈ যাব নেকি। কেতিয়াও নাযায় বুলি কয় আছুৰ সভাপতিগৰাকীয়ে। নাম সলোৱাৰ ৰাজনীতি কৰি থাকিলে ৰাজ্যৰ উত্তৰণ নহয় বুলি তীৰ্যক মন্তব্য কৰি সভাপতি শৰ্মাই কয় "মানুহৰ মৌলিক সমস্যাসমূহ, জীৱন ধাৰণৰ মাণদণ্ড উন্নত নহয়। তাত যাতায়তৰ ব্যৱস্থা উন্নত নহয়। তাত যদি শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা উন্নত নহয়। এইবোৰ হৈছে মানুহৰ মৌলিক প্ৰয়োজন। এইবোৰৰ পৰা মানুহৰ দৃষ্টি আতৰাই কেৱল নাম সলোৱাৰ ৰাজনীতি কৰি থাকিলে উত্তৰণ নহয়।" জিএছ ৰোড বা এটি ৰোডৰ নাম সলনি কৰাৰ প্ৰসংগ উল্লেখ কৰি উৎপল শৰ্মাই মুখ্যমন্ত্ৰীক উভতি ধৰি কয় যে জিএছ ৰোড, এটি ৰোডৰ নাম সলনি কৰিলে। কিন্তু আজিলৈ মানুহে বেলেগ নামটো কৈ পাইছে নেকি বুলি প্ৰশ্ন কৰে। গুৱাহাটীত অটো এখন লৈ কালাপাহাৰ বুলি কলে অটোখনে লৈ যায় নেকি? নাম সলাই আছে কিন্তু বাস্তৱত প্ৰয়োগ হৈ আছে নে নাই? নাম আৰু ইতিহাস পৰিৱৰ্তন কৰিব খোজা বিজেপিৰ এই প্ৰৱণতা সমগ্ৰ ভাৰতত আছে। বিজেপিয়ে সেই সৰ্বভাৰতীয় প্ৰৱণতাক আসমলৈ আনিছে। সেই প্ৰৱণতাক অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে নকল কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই যোগী আদিত্য নাথক নকল কৰা বুলি অভিযোগ আনি কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীক নকল কৰি থাকে। অনুসৰণ, অনুকৰণ কৰি থাকে। যোগী আদিত্য নাথে যদিও তাত অভিযুক্তৰ ঘৰত বুলডজাৰ লগাই দিয়ে, ইয়াতো মুখ্যমন্ত্ৰীয়ে বুলডজাৰ লগাই দিয়ে। তেওঁ যদি তাত ঠাইৰ নাম সলনি কৰে অসমৰ মুখ্যমন্ত্ৰীয়ে ইয়াত ঠাইৰ নাম সলনি কৰে। অসমৰ মানুহে অসমৰ মুখ্যমন্ত্ৰীক নিৰ্বাচিত কৰিছে অসমৰ উত্তৰণৰ কাৰণে। যোগী আতিদ্যনাথক নকল কৰিবলৈ মুখ্যমন্ত্ৰী পতা নাই। মানুহে কোৱা-কুই কৰিবলৈ আৰম্ভ কৰিছে যে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যদি 'এডিডাছ' অসমৰ মুখ্যমন্ত্ৰীগৰাকী 'এবিবাছ'। এই নকল কৰা প্ৰৱণতা অসমৰ মুখ্যমন্ত্ৰীয়ে বন্ধ কৰিব লাগে। মানুহৰ জীৱন ধাৰণৰ মাণদণ্ড উন্নত কৰিব লাগে। ৰাজ্যখনৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰি নিবনুৱাৰ সমস্যাৰ সমাধান কৰিবলৈ চিন্তা কৰিব লাগে। ৫ হাজাৰ পদ ওলাই ১১ লাখে আবেদন কৰে। সেইখন ৰাজ্যত ঠাইৰ নাম সলাই থাকিলে অৰ্থনৈতিক বুনিযাদ শক্তিশালী হ'ব নেকি। মৌলিক সমস্যা, জাতীয় সমস্যা নিৰ্মূল হ'ব নেকি? আছুৰ সভাপতিগৰাকীয়ে অসমৰ ৰাইজক আহ্বান জনাই কয় যে মুখ্যমন্ত্ৰীৰ ৰাইজক ব্যস্ত ৰখাৰ এনে কৌশলবোৰত ৰাইজে ভৰি দিব নালাগে। মুখ্যমন্ত্ৰীয়ে যি কৰি আছে সেয়া কৰি থাকক। আমি ৰাইজৰ মৌলিক প্ৰশ্নবোৰ উত্থাপন কৰিব লাগে। মূল্যবৃদ্ধিৰ কথা ক'লে ঘৈণীয়েকৰ গালি খাও বুলি কোৱা যোগানমন্ত্ৰীক কেতিয়া মন্ত্ৰী পদৰ পৰা আতৰ কৰিব সেই কথা মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰিব লাগে। যেতিয়ালৈকে মৌলিক কথাবোৰ স্পষ্ট নহয় তেতিয়ালৈকে আন কোনো কথাই আমাক ব্যতিব্যস্ত কৰিব নোৱাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানত নিহত ১২ সেনা

পাকিস্তানী জোৱান। বুধবাৰে পাকিস্তানৰ খাইবাৰ-পাখতুনখোৱাত থকা সেনা শিবিৰত এই আক্ৰমণৰ তথ্য সদৰী কৰিছে দেশখনৰ সেনাই। সংবাদ সংস্থা ৰয়টাৰে প্ৰকাশ কৰা অনুসৰি, খাইবাৰ-পাখতুনখোৱাস্থিত সেনা শিবিৰৰ দেৱালত বিস্ফোৰক ভৰ্তি এখন বাহনে খুন্দা মৰাত শিবিৰৰ লগতে ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বিস্তৰ ক্ষতিসাধন হয়। এই আক্ৰমণতে ১২ জনকৈ পাক সেনা জোৱান নিহত হয়। ইফালে পাকিস্তান সেনাই মঙলবাৰে নিশা সংঘটিত এই আক্ৰমণৰ পিছত উগ্ৰপন্থীসকলক উচিত প্ৰত্যুত্তৰ দিয়া বুলিও প্ৰকাশ কৰে। সেনাৰ উদ্ধৃতি অনুসৰি, দুয়োপক্ষৰ মাজত হোৱা সংঘৰ্ষত ৬ উগ্ৰপন্থী নিহত হয়। উগ্ৰপন্থীসকলক বিচাৰি উলিয়াবলৈ এতিয়াও তালাচী অভিযান অব্যাহত আছে বুলি পাকিস্তান সেনাই জানিবলৈ দিয়ে। অৱশ্যে পাকিস্তান সেনাই এই আক্ৰমণৰ আঁৰত কোন আছে সেই সন্দৰ্ভত কোনো মন্তব্য কৰা নাই। অৱশ্যে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে 'গুল বাহাদুৰ গ্ৰুপ' নামৰ এটা উগ্ৰপন্থী সংগঠনে। উল্লেখ্য যে, শেহতীয়াকৈ পাকিস্তানৰ উত্তৰ-পশ্চিম খাইবাৰ-পাখতুনখোৱা প্ৰদেশত তেহৰিক-ই-তালিবান পাকিস্তান (টিটিপি) আৰু 'গুল বাহাদুৰ গ্ৰুপ'য়ে একাধিক আক্ৰমণ সংঘটিত কৰিছে। 'গুল বাহাদুৰ গ্ৰুপ'ৰ মুৰব্বী হাফিজ গুল বাহাদুৰ এসময়ত টিটিপিত আছিল। কিন্তু পিছত উলমানজাই ৱাজিৰি সম্প্ৰদায়ৰ নেতা হাফিজে টিটিপিত মেহছুদ সম্প্ৰদায়ৰ আধিপত্যৰ প্ৰতিবাদত এটা নতুন সংগঠন গঠন কৰে। অক্টোবৰৰ শেষৰ ফালে খাইবাৰ-পাখতুনখোৱাত টিটিপিৰ আক্ৰমণত পাক অৰ্ধসামৰিক সীমান্ত কৰ্পছৰ কমেও ১০ জন জোৱান নিহত হৈছিল। ইফালে নৱেম্বৰ মাহত পাকিস্তানৰ বেলুচিস্তানৰ কুৱেটা ৰে'লৱে ষ্টেচনত বোমা বিস্ফোৰণৰো ঘটনা সংঘটিত হয়। এই আক্ৰমণৰ আঁৰত আত্মঘাতী বিস্ফোৰণৰ তত্ত্বৰ উন্মেষ ঘটিছে। এই বিস্ফোৰণত কমেও ২৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন বহু লোক আহত হয়। সংবাদ সংস্থা এ এফ পিয়ে প্ৰকাশ কৰা অনুসৰি সেই আক্ৰমণত নিহতসকলৰ ভিতৰত ১৪ জন পাকিস্তানী সৈন্যও আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিল গগৈক দুটাকৈ মন্ত্ৰী পদ

অসম আন্দোলনৰ শ্বহীদৰ স্মৃতিত গুৱাহাটীৰ বৰাগাঁৱত নিৰ্মাণ হৈ থকা শ্বহীদ স্মাৰক উদ্যান পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে। অসম চুক্তি বিভাগৰ মন্ত্ৰী অতুল বৰাক লগত লৈ মুখ্যমন্ত্ৰীয়ে নিৰ্মাণৰত অৱস্থাত থকা শ্বহীদ স্মাৰক উদ্যান প্ৰত্যক্ষ কৰি কেইবাটাও নিৰ্দেশনা প্ৰকাশ কৰে। ৮৫৫ গৰাকী শ্বহীদৰ প্ৰতিমূৰ্তি থাকিবলগীয়া উদ্যানখনৰ কাম ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু অহা ১০ ডিচেম্বৰত উদ্যানখন মুকলি কৰাৰ কথা আছে যদিও সম্ভৱত ২০২৫ চনত উদ্যানখন মুকলি কৰা হ'ব বুলি কয় মুখ্যমন্ত্ৰীয়ে। শ্বহীদ স্মাৰক উদ্যান পৰিদৰ্শন কৰি জিলাৰ নাম সলনি কৰাত সমালোচনা কৰাসকলক প্ৰত্যুত্তৰ দিয়ে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীভূমি নামটো ৰবীন্দ্ৰ নাথ ঠাকুৰে দি থৈ যোৱা। মোৰ যদি নাম ১৯১৯ চনত ৰবীন্দ্ৰনাথ ঠাকুৰ বা লক্ষ্মীনাথ বেজবৰুৱাই দিলেহেঁতেন তেতিয়া হাঁহি হাঁহিময়ো নাম সলনি কৰিলোহেঁতেন। অখিলে মুখ্যমন্ত্ৰীৰ নাম সলনি কৰিম বুলি কোৱা সন্দৰ্ভত শ্বেৰমান আলীয়ে ৰাইজৰ দলৰ চৰকাৰ হ'লে শ্বেৰমান আৰু অখিল মন্ত্ৰী হ'ব বুলি দিয়া মন্তব্যক লৈ অখিল গগৈক কটুক্তি কৰি মুখ্যমন্ত্ৰীয়ে অখিল গগৈয়ে স্বাস্থ্য ভালে থাকক বুলি কৈ কয় "অখিলে ৰাইজৰ হৈ কাম কৰক। দুজন মন্ত্ৰীতে যে সন্তুষ্ট মই জনাই নাছিলো। মই তেওঁক মুখ্যমন্ত্ৰী বুলিয়ে ভাবি থাকো। দুজন মন্ত্ৰী বিচাৰিলে ময়ে দি দিব পাৰো।'

## শিৱসাগৰত আটাছুৰ জোঁৰ

৬নং পৃষ্ঠাৰ পৰা...

আহোমসহ ছয় জনগোষ্ঠীক। বহি:ৰাজ্যৰ বহুকেইটা জনগোষ্ঠীক মোদী চৰকাৰে জনজাতিকৰণ কৰাৰ পৰিবৰ্তে অসমৰ ছয় জনগোষ্ঠীৰ ক্ষেত্ৰত শেহতীয়াকৈ টুলুঙা মন্তব্যহে কৰিলে কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমামন্ত্ৰী জুৱেল ওৰামে। ইয়াৰ পৰিপেক্ষিতত আজি সন্ধিয়া শিৱসাগৰ চহৰৰ ৰাজপথ উত্তাল কৰে সদৌ তাই আহোম ছাত্ৰ সন্থাই। আহোম জনগোষ্ঠীক শ্ৰীঘ্ৰেই জনজাতিকৰণৰ মৰ্যদা প্ৰদানৰ দাবীত টাই আহোম ছাত্ৰ সন্থাই আজি সন্ধিয়া বিশাল জোঁৰ সমদল উলিয়াই। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত তথা মহিলা পৰিষদৰ সহযোগত শিৱসাগৰৰ ঐতিহাসিক শিৱদৌলৰ সন্মুখৰ পৰা উলিয়াই এই জোঁৰ সমদল। আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈসহ সংগঠনটোৰ দুই শতাধিক কৰ্মী তথা বিষয়ববীয়াই হাতে হাতে জোঁৰ লৈ আহোম জনগোষ্ঠীক জনজাতিকৰণ কৰক, মোদী চৰকাৰ হায় হায়, জনজাতিকৰণৰ নামত প্ৰতাৰণা বন্ধ কৰক আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰে। লক্ষণীয় যে অলপ দূৰ সমদল কৰাৰ পিছতে আৰক্ষীয়ে বেৰিকেড দি বাধা দিয়ে প্ৰতিবাদকাৰীসকলক। ফলত আৰক্ষী আৰু আটাছু কৰ্মীৰ মাজত সৃষ্টি হয় হতাহতি। জোঁৰ সমদলৰ নেতৃত্ব দি আটাছুৰ সভাপতি বসন্ত গগৈয়ে কংগ্ৰেছৰ দৰেই বিজেপি চৰকাৰেও আহোম জনগোষ্ঠীক চৰম প্ৰতাৰণা কৰা বুলি ক্ষোভ প্ৰকাশ কৰে। বসন্ত গগৈয়ে কয়, "আহোম জনগোষ্ঠীক জনজাতিকৰণৰ সদ ইচ্ছা চৰকাৰৰ নাই। অসম চৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সঠিকভাৱে বিষয়টো আগবঢ়াই দিয়া নাই। চৰকাৰৰ এই প্ৰতাৰণা সহ্য কৰা নহ'ব। আগন্তুক বিধানসভা নিৰ্বাচনৰ আগেয়ে জনজাতিকৰণ নকৰিলে অসমৰ ৫৫ লাখ আহোম জনগোষ্ঠীয় লোকে আগন্তুক নিৰ্বাচনত ইয়াৰ প্ৰতিশোধ ল'ব।" ইয়াৰ উপৰিও অনাগত দিনত জনজাতিকৰণৰ দাবীত অধিক জংগী কাৰ্যসূচী লোৱাৰ লগতে অসম বন্ধৰ দৰে কাৰ্যসূচী লবলৈয়ো কুণ্ঠাবোধ নকৰিব বুলি হুংকাৰ দিয়ে বসন্ত গগৈয়ে। আটাছু নেতা সুমিত সন্দিকৈয়ে আহোম জনগোষ্ঠীক জনজাতিকৰণ নকৰা পৰ্যন্ত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি থকা হ'ব বুলি উল্লেখ কৰে। উল্লেখ্য যে যোৱা এসপ্তাহ ধৰি সমগ্ৰ উজনি অসমতে এই প্ৰতিবাদে ব্যাপক ৰূপ ধাৰণ কৰিছে।

## নাওবৈচাত অখিলৰ প্ৰতিবাদ

৬নং পৃষ্ঠাৰ পৰা...

কাৰ্যসূচী ৰূপায়ন কৰে। নাওবৈচা সমষ্টি তথা সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছতে ৰঙানদী আৰু নাওবৈচা সমষ্টি ৰূপে ভাগ ভাগ কৰি দুটা সমষ্টি কৰা নাওবৈচাত আজি ৰাইজৰ দলে দলটোৰ সভাপতি অখিল গগৈৰ উপস্থিতিত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰি সমষ্টিটোৰ ৰাস্তা-ঘাট, দলংসমূহ নিৰ্মাণৰ দাবী জনায়। কেইবা শতাধিক ৰাইজদৰ নেতা-কৰ্মী, সমৰ্থনক উপস্থিতিত অখিল গগৈয়ে প্ৰতিবাদ সাব্যস্ত কৰি স্থানীয় প্ৰশাসনৰ জড়িয়তে ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে অখিল গগৈয়ে। গগৈয়ে নাওবৈচাৰ ৰাস্তা-ঘাট সোনকালে নিৰ্মাণৰ দাবী জনাইছে। অখিল গগৈয়ে ৰঙানদী সমষ্টি আৰু নাওবৈচা সমষ্টিৰ ৰাস্তা-ঘাটৰ অৱস্থা ৰাজ্যৰ ভিতৰতে অত্যন্ত বেয়া বুলি দোহাৰে। অখিল গগৈয়ে বৰ্তমানৰ নাওবৈচা সমষ্টিৰ ২১টা ৰাস্তাৰ অৱস্থাৰ কথা স্মাৰক পত্ৰত উল্লেখ কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাই সাম্প্ৰদায়িক ৰাজনীতি এৰি, ঠাইৰ নাম সলোৱাৰ ৰাজনীতি এৰি উন্নয়নৰ ৰাজনীতিত ধৰিব লাগে। মানৱ শৃংখল কাৰ্যসূচীত মমুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কঠোৰ সমালোচনা কৰা মুখ্যমন্ত্ৰীৰ কাৰ্যালয় ঘেৰাও কৰাৰ হুংকাৰ দিয়ে। লখিমপুৰৰ কৰুণাবাড়ীত মানৱশৃংখল কাৰ্যসূচী ৰূপায়ন কৰি কয় যে নিৰ্বাচনৰ আগত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে দেশৰ ভিতৰতে অসমক এক নম্বৰ ৰাজ্য হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিছিল। দেশৰ ৩৩ খন ৰাজ্যৰ ভিতৰত অসমক ৫খন উন্নত ৰাজ্যলৈ উন্নীত কৰাৰ কথা কৈছিল। কিন্তু আজি অসমৰ নাম তালিকাৰ তলৰ পৰা ৬ নম্বৰত আৰু ওপৰৰ পৰা ২৭ নম্বৰ স্থানত আছে। অখিলে ৰাজ্যখনৰ অৱস্থা বেয়া কৰি আৰু ধাৰত ডুবাই মুখ্যমন্ত্ৰীয়ে এতিয়া ঝাৰখণ্ডক এক নম্বৰ ৰাজ্য বনাবলৈ গৈছে বুলি হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰে। লখিমপুৰৰ বিধায়ক মানৱ ডেকাক দুষ্ট আখ্যা দি নাওবৈচা সমষ্টিৰ উন্নয়ন নোহোৱাৰ কাৰণ উল্লেখ কৰি অখিল গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে দুষ্ট বিধায়ক মানৱ ডেকা আৰু সাংসদ প্ৰদান বৰুৱাৰ দ্বাৰা নাওবৈচা সমষ্টিৰ বাবে আৱন্টন হোৱা বাট-পথবোৰ কাটি নিছে। সংসাহস থাকিলে নাওবৈচাৰ ৰাস্তা-পদূলি এবাৰ পৰিদৰ্শন কৰক মুখ্যমন্ত্ৰীয়ে।

### শিৱসাগৰ বডী বিল্ডাৰছ এণ্ড ফিটনেছ এছ'চিয়েশ্যনৰ সংবাদমেলত ঘোষণা

## ২৪ নৱেম্বৰত নামতিত মিষ্টাৰ শিৱসাগৰ প্ৰতিযোগিতা




**ই-সংবাদ, আমগুৰি, ২০ নৱেম্বৰঃ** শিৱসাগৰ বডী বিল্ডাৰছ এণ্ড ফিটনেচ এছ'চিয়েশ্যনৰ উদ্যোগত বি.জি ফিটনেচ জ'ন আৰু এ.বি ইউনিচেক্স জিমৰ সহযোগত নামতি চাৰিআলিত মিষ্টাৰ শিৱসাগৰ ২০২৪ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। আজি সন্ধিয়া নামতি প্ৰেছ ক্লাবত শিৱসাগৰ বডী বিল্ডাৰছ এণ্ড ফিটনেচ এছ'চিয়েশ্যনে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত শিৱসাগৰ বডী বিল্ডাৰছ এণ্ড ফিটনেচ এছ'চিয়েশ্যনৰ সাধাৰণ সম্পাদক নীলোৎপল দত্তই কয়, পোন প্ৰথমবাৰৰ বাবে শিৱসাগৰ জিলাৰ নামতিত "মিষ্টাৰ শিৱসাগৰ ২০২৪ প্ৰতিযোগিতা" অনুষ্ঠিত হ'ব। অহা ২৪ নৱেম্বৰত নামতি চাৰিআলিস্থিত ভাৰতীয় ষ্টেট বেংকৰ চেপাগুণী শাখাৰ সন্মুখত অনুষ্ঠিত হ'ব লগা এই "মিষ্টাৰ শিৱসাগৰ ২০২৪ প্ৰতিযোগিতা"খন পুৰুষ আৰু মহিলাৰ দুয়োটা শাখাতেই অনুষ্ঠিত হ'ব। বৰ্তমানলৈকে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীয়ে যোগাযোগ কৰিছে। তদুপৰি সম্পাদকগৰাকীয়ে কয়, এই মিষ্টাৰ শিৱসাগৰ প্ৰতিযোগিতাতেই ধেমাজিত অনুষ্ঠিত হ'ব লগা মিষ্টাৰ অসম প্ৰতিযোগিতালৈ শিৱসাগৰৰ দলটো নিৰ্বাচিত কৰিব। আনহাতে উক্ত সংবাদমেলত অসীম দত্ত, দুলজিৎ বৰুৱা আৰু ৰঞ্জন দত্তৰ লগতে কেইবাগৰাকীও সদস্য উপস্থিত থাকে। প্ৰতিযোগিতাখনক লৈ স্থানীয় ৰাইজো উৎসাহী হৈ পৰিছে। উদ্যোক্তাসকলে সমূহ ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহযোগিতা কামনা কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ললিতা দাসলৈ অসম সাহিত্যজ্যোতি বঁটা ঘোষণা

**ই-সংবাদ, মুকালমুৱা, ২০ নৱেম্বৰঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ দৌলাশালৰ কবি-লেখিকা তথা শিক্ষয়িত্ৰী ললিতা দাসলৈ আগবঢ়োৱা হ'ব "অসম সাহিত্যজ্যোতি বঁটা"। অহা ২৪ নৱেম্বৰত দিছপুৰ প্ৰেছ ক্লাবত অনুষ্ঠিত হ'বলগীয়া "কৃষ্টি এৱাৰ্ডছ-২০২৪" অনুষ্ঠানত সাহিত্য-সামাজিক-সাংস্কৃতিক কেন্দ্ৰ কৃষ্টিপথাৰে ললিতা দাসক এই বঁটা প্ৰদান কৰিব বুলি জানিবলৈ দিয়ে কৃষ্টিপথাৰৰ প্ৰধান সম্পাদক মহানন্দ সৰকাৰ দত্তই। উল্লেখ্য যে স্বভাৱ কবি ললিতা দাসৰ কাব্য সাধনাই ইতিমধ্যেই পৰিণত পৰ্যায় স্পৰ্শ কৰিছে। অসমৰ প্ৰতিভাৱান আৰু ওখ খাপৰ কবিসকলৰ সমপৰ্যায়ৰ ললিতা দাস পেছাত এগৰাকী শিক্ষয়িত্ৰী হৈও নিৰন্তৰভাৱে সাহিত্য সাধনা অব্যাহত ৰাখিছে। সমাজখনক পোহৰমুখী কৰি তোলাৰ নিৰন্তৰ সংগোপিত ইচ্ছাত প্ৰেম-ভালপোৱাৰ হেঁপাহ-হাবিয়াসে কোঁহ মেলি কাব্য সাধনাক উত্তৰিত কৰিছে ললিতা দাসে। ২০১৮ চনত কাব্যগ্ৰন্থ 'ৰজনীগন্ধাৰ সুবাস'ৰে সাহিত্য জগতত আত্মপ্ৰকাশ কৰা ললিতা দাসে বৰ্তমানলৈ ভিন্ন বিষয়ক ১৬ খনকৈ গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। দৌলাশালৰ বিশিষ্ট অভিনেতা তথা সাহিত্য-সাংস্কৃতিক অনুষ্ঠান বিৰিণা গোষ্ঠী-অসমৰ ভাৰপ্ৰাপ্ত সভাপতি বাবুল বণিক্যৰ সহধৰ্মিনী ললিতা দাসৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত কাব্যগ্ৰন্থ নখন ক্ৰমে "ৰজনীগন্ধাৰ সুবাস", "দেওলগা চহৰ", "জীৱন নদীৰ সোঁতে সোঁতে", "সৰাপাতৰ উচুপনি", "অন্য এক যাত্ৰা", "আশাৰ পানচৈ", "বকুল ফুলৰ সুবাস বিচাৰি", বিগলিত হৃদয়ৰ কবিতা" আৰু শিশু উপযোগী কাব্যগ্ৰন্থ "ককা-আইতা আৰু সোণালী শৈশৱ"। ইয়াৰ উপৰি শিশু উপযোগী অনুগল্প "এচমকা সুখৰ ৰ'দালি", শিশু উপযোগী গল্প সংকলন "জীৱন সংগ্ৰাম", অনুগল্প "সপোনৰ হেঙুলীয়া বাট", "হাইকু", "লিমাৰিক", "অসমীয়া শ্বায়েৰী", "ক'ৰনা ডায়েৰী" লিখি সাহিত্যৰ জগতখনত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে ললিতা দাসে। বিৰিণা গোষ্ঠী, অসমৰ প্ৰতিষ্ঠাপক সদস্য ললিতা দাসে সাহিত্য ক্ষেত্ৰখনত আগবঢ়োৱা অৱদানৰ বাবে বিভিন্ন সন্মাননেৰে বিভূষিত হৈছে। বিহগী মিডিয়া গ্ৰুপৰ "বিহগী কবি ৰঘুনাথ চৌধাৰী বঁটা(২০২২)", নেবকচৰ "সাহিত্য সুৰভি বঁটা(২০২৩)", বিৰিণা গোষ্ঠী-অসমৰ "বিৰিণা বৈভৱ বঁটা-(২০২৪) আৰু কৃষ্টিপথাৰৰ "অসম সাহিত্যজ্যোতি বঁটা(২০২৪)" লাভ কৰিবলৈ সক্ষম হৈছে বিশিষ্ট কবি তথা লেখিকা ললিতা দাসে। কৃষ্টিপথাৰৰ "অসম সাহিত্যজ্যোতি বঁটা(২০২৪)"ৰ বাবে ললিতা দাস নিৰ্বাচিত হোৱাত বৰক্ষেত্ৰীত আনন্দৰ জোৱাৰ উঠিছে।

## নীৰৱ দৰ্শকৰ ভূমিকাত আৰক্ষী প্ৰশাসন

# ৰাস মহোৎসৱৰ গইনাৰে শুৱালকুছিত বালিচৰত জুৱাৰ বেহা

**ই-সংবাদ, শুৱালকুছি, ১৯ নৱেম্বৰঃ** কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ১৩ নৱেম্বৰত এক নিৰ্দেশযোগে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (বি.এন.এচ.এচ.) ২০২৩ ৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে সমগ্ৰ জিলাখনত প্ৰযোজ্য হোৱাকৈ যিকোনো প্ৰকাৰৰ অনলাইন বা অফলাইন লটাৰী, উপহাৰ কুপন প্ৰদানৰ জৰিয়তে জুৱা খেল অনুষ্ঠিত কৰা, লটাৰীৰ টিকট/উপহাৰ কুপন বিতৰণ বা ক্ৰয় কৰা, ব্যক্তি বা সংগঠনৰ দ্বাৰা যিকোনো প্ৰকাৰৰ লটাৰী সংক্ৰান্তীয় কাম-কাজ অনুষ্ঠিত কৰাৰ কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰিছে। কিন্তু কামৰূপ জিলা আয়ুক্ত তথা কামৰূপ প্ৰশাসনৰ নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই শুৱালকুছি ৰাস মহোৎসৱৰ গইনা লৈ শুৱালকুছিৰ বালিচৰকে আদি কৰি বৃহত্তৰ শুৱালকুছি অঞ্চলত মুকলিলৈ চলিছে বৃহৎ অবৈধ জুৱা। প্ৰশাসনৰ নিৰ্দেশনাকো আওকাণ কৰি আৰক্ষী প্ৰশাসনৰ সন্মুখতে চলিছে মুকলিকৈ জুৱা। ইতিমধ্যে জিলা আয়ুক্তৰ নিৰ্দেশনাক সন্মান জনাই শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱত বন্ধ কৰা হৈছে সকলো ধৰণৰ চকৰী খেল তথা ভাগ্য পৰীক্ষাৰ নামত চলা জুৱা। কিন্তু শুৱালকুছি বালিচৰত ৰাস মহোৎসৱ আৰম্ভ হোৱাৰ দিনাৰ পৰা শুৱালকুছি ৰাস মহোৎসৱৰ গইনা লৈ ৰাস মহোৎসৱৰ আশে-পাশে নিশা ১১ বজাৰ পৰা পুৱতি নিশালৈকে চলে চকৰীকে আদি কৰি দাণ্ডি মুন্দা নামৰ ৬ গুটি জুৱা খেল। স্থানীয় সচেতন দল সংগঠন তথা ৰাইজ অভিযোগ এই জুৱা খেলৰ নেতৃত্বত আছে জগদীশ নামৰ এজন কুখ্যাত জুৱাৰী। প্ৰতি বছৰে ৰাস মহোৎসৱৰ গইনালৈ এই গৰাকী জুৱাৰীয়ে আৰক্ষী প্ৰশাসনক সকলো ধৰণৰ মেনেজ কৰি পুৱতি নিশালৈ চলাই গৈছে অবৈধভাৱে মুকলি জুৱা। ফলত নৱপ্ৰজন্ম ও জুৱাৰ পৰি আকৰ্ষিত হৈ মুকলি কৈ জুৱা খেলা পৰিলক্ষিত হৈছে। প্ৰশাসনৰ কঠোৰ নিৰ্দেশ থকাৰ পিচতো শুৱালকুছিৰ ব্ৰহ্মপুত্ৰৰ বালিচৰত ৰাস মহোৎসৱৰ গইনা লৈ বিভিন্ন স্থানত মুকলিকৈ চলা অবৈধ জুৱা খেলকলৈ সচেতন ৰাইজ চিন্তিত হৈ পৰিছে। ৰাস মহোৎসৱৰ নামত বৃহত্তৰ শুৱালকুছি অঞ্চলত চলি থকা এই অবৈধ জুৱা খেল বন্ধ তথা জুৱাৰি সকলোক উচিত ব্যৱস্থা লবলৈ কামৰূপ আয়ুক্তলৈ দাবী জনাইছে অঞ্চলটোৰ সচেতন ৰাইজে।





মাজুলীত আছুৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ, ফটোঃ ই-সংবাদ, মাজুলী

# নগাঁৱত গৰাখহনীয়াৰ সমাধানৰ দাবীত ইউ ডি ৱাই এফৰ প্ৰতিবাদী সমদল

**ই-সংবাদ, বেবেজীয়া, ২০ নৱেম্বৰঃ** ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ লগতে গৰাখহনীয়াত আক্ৰান্ত লোকসকলৰ পঞ্জীয়ন, প্ৰমাণ পত্ৰ প্ৰদান আৰু স্থায়ী সংস্থাপনৰ দাবীত সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক যুৱ মৰ্চা চমুকৈ এ আই ইউ ডি ৱাই এফৰ নগাঁও জিলা কমিটীৰ উদ্যোগত বুধবাৰে নগাঁও জিলাৰ ধিঙত এক প্ৰতিবাদী সমদল উলিওৱা হয়। ধিং পৰিদৰ্শন বঙলাৰ পৰা বাহিৰ কৰা এই প্ৰতিবাদী সমদলত ভাগ লোৱা প্ৰতিবাদকাৰীসকলে হাতে হাতে বেনাৰ, প্লে' কাৰ্ড, ফেষ্টুন আদি লৈ 'চৰ-চাপৰিৰ দৰিদ্ৰ কৃষকসকলক উচ্ছেদ কৰিবলৈ জধে-মধে বনাঞ্চল ঘোষণা কৰা নচলিব', 'গৰাখহনীয়াত আক্ৰান্ত লোকসকলৰ ভূমিৰ তথ্য সংৰক্ষণ কৰক', 'গৰাখহনীয়াত আক্ৰান্ত লোকসকলক ভূমিহীন প্ৰমাণ পত্ৰ প্ৰদান কৰক', 'ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত সাম্প্ৰদায়িক নীতি পৰিহাৰ কৰক', 'ভূমিহীন লোকসকলক উচ্ছেদ কৰা নচলিব', 'চৰ-চাপৰিৰ অধিকাৰ ভূমিহীন কৃষকক দিয়ক', 'বিজেপি চৰকাৰ হায় হায়' আদি শ্ল'গান দি আকাশ বতাহ কঁপাই তোলে। পিছত ধিং চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ গৈ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ উক্ত দাবী সম্বলিত এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত এ আই ইউ ডি ৱাই এফৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আবু ইউচুফ ৰাইহান চৌধুৰী, নগাঁও জিলা সমিতিৰ সভাপতি হবিবুৰ ৰহমানৰ লগতে দুই শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# লাহৰীঘাটত তিনি চাইবাৰ অপৰাধীক আটক

**ই-সংবাদ, লাহৰীঘাট, ২০ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন ঠাইৰ পৰা যোৱা নিশা আৰক্ষীয়ে এক অভিযান চলাই তিনিটা চাইবাৰ অপৰাধীক আটক কৰি সক্ষম হয়। ধৃত চাইবাৰ অপৰাধী কেইটাৰ নাম ক্ৰমে কছাৰীবড়ী গাঁৱৰ ৰুকুন উদ্দিন(৩০), বোৰালগুৰি গাঁৱৰ আঞ্জাৰুল ইছলাম(২১) আৰু হালধিবড়ী গাঁৱৰ সাজিদ আলী(৩০)। আৰক্ষীয়ে আটক কৰা এই চাইবাৰ অপৰাধী কেইটাৰ পৰা তিনিটা ম'বাইল, ১২ খন আধাৰ কাৰ্ড আৰু কেবাখনো পান কাৰ্ডৰ লগতে আপত্তিজনক নথি-পত্ৰ উদ্ধাৰ কৰিছে।



মহাৰাষ্ট্ৰ নিৰ্বাচনঃ মুম্বাইত সপৰিয়ালে পুত্ৰ দিবলৈ আহিল মুকেশ আম্বানী




খহনীয়াৰ বিৰুদ্ধে নগাঁৱত এআইইউডিৱাইএফৰ প্ৰতিবাদ, ফটোঃ ই-সংবাদ, বেবেজীয়া

## বন বিভাগৰ ব্যৰ্থতাক লৈ উদ্বিগ্ন স্থানীয় ৰাইজৰ ক্ষোভ

# অসহায় বন বিভাগ! বাঘৰ আক্ৰমণত এজন আহত

**ই-সংবাদ, দলগাওঁ, ২০ নৱেম্বৰঃ** ইজনৰ পিছত সিজক বাঘে আক্ৰমণ কৰা ঘটনাই কঁপাই পুৱ দৰং। সৌ সিদিনা বাকপৰি চাপৰিত বাঘে এজনী মহিলাক আক্ৰমণ কৰাৰ পিছত যোৱা দেওবাৰে বদলিবৰালী চাপৰিত ধান চপাই থকা অৱস্থাত পুনৰ বাঘে আক্ৰমণ কৰি ওমৰ আলী নামৰ শ্ৰমিক এজক নিহত কৰাৰ পিছতে কোনাকাটাপাৰা অঞ্চলত পুনৰ বাঘৰ পদাংক চাই স্থানীয় লোক আতংকিত হয়। খবৰ পাই বন বিভাগ আৰু স্থানীয় আৰক্ষীয়ে বাঘৰ সন্ধানত নামি পৰে যদিও ওৰেটো দিন বোন্দাপৰ দিও কোনো সন্ধান উলিয়াব নোৱাৰি বৃহত্তৰ অঞ্চলত ৰাতিৰ ভাগত মানুহৰ অহা-যোৱাত নিষেধাজ্ঞা জাৰি কৰে। ইফালে, বুধবাৰে পুৱাই জাহেদ আলী নামৰ যুৱক এজনে ধান চপাই থকৰ সময়তে অন্য এটি বাঘে পিছফালৰ পৰা অতৰ্কিতে আক্ৰমণ কৰি গুৰুতৰভাৱে জখম কৰাত অঞ্চলটোত বাঘৰ সন্ত্ৰাস বৃদ্ধি পাইছে। আহত যুৱকৰ মৰণকাতৰ চিঞৰ শুনি স্থানীয় লোক উপস্থিত হোৱাত উক্ত ঠাইৰ পৰা বাঘে পলাই পত্ৰং দিয়ে। খবৰ পাই দলগাওঁ আৰক্ষী আৰু বন বিভাগৰ লোক উপস্থিত হয় যদিও বন বিভাগৰ লোকে বাঘৰ সন্ধান আৰু নিয়ন্ত্ৰণত কোনো ফলপ্ৰসূ পদক্ষেপ নোলোৱাত জাঙুৰ খাই উঠিছে স্থানীয় লোক। বাঘ নিৰীক্ষণ আৰু অনুসন্ধানৰ কোনো বিজ্ঞানসন্মত ব্যৱস্থা নথকা বন বিভাগটো ঢাল নাই, তৰোৱাল নাই নিধিৰাম চৰ্দাৰৰ লেখীয়া হৈ পৰিছে। ইফালে, কৌপাটিৰ ওচৰৰ নেপালী গাৱঁৰ এখন ডাঙৰ হাবিত আন এটি বাঘ থকা বুলি স্থানীয় ৰাইজ আতংকত ভুগিছে। প্ৰশ্ন হৈছে, বাঘ নিয়ন্ত্ৰণত অসহায় হৈছে নেকি বন বিভাগ? কিমান বাঘ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই আহিছে তাৰ কোনো সঠিক তথ্য নাই অকৰ্মণ্য বন বিভাগৰ হাতত। এতিয়া বাঘৰ প্ৰজননৰ সময় জানিও কিয় সতৰ্কতা অৱলম্বন নকৰিলে বন বিভাগে? ওৰাং ৰাষ্ট্ৰীয় উদ্যান নিৰীক্ষণৰ বাবে চিচি কেমেৰা সংযোগ কৰা হৈছে নে? যদি হৈছে তেন্তে কেনেকৈ বন বিভাগৰ অগোচৰে বাঘ জনাঞ্চলত প্ৰৱেশ কৰিবলৈ পালে? আশ্চৰ্যজনকভাৱে বন বিভাগৰ বৰমূৰীয়াই সাংবাদিকৰ মুখামুখি হোৱাৰ পৰা বিৰত হৈ আছে। কিমানজন নীৰিহৰ প্ৰাণ গ'লে বন বিভাগ সাৰ পাব বুলিও ৰাইজে প্ৰশ্ন উত্থাপন কৰা দেখা গৈছে। ধান চপোৱাৰ সময়তে বাঘৰ আতংকই সমস্যাৰ সৃষ্টি কৰিছে। শ্ৰমিকসকলক ধান খেতিলৈ যাবলৈ মানা কৰাত খেতিয়কৰ কষ্টৰ ফচল খেতিতে নষ্ট হোৱাৰ উপক্ৰম হৈছে।

# NSUIৰ বিলাসীপাৰা মহাবিদ্যালয়ত পৰ্যালোচনা সভা

**ই-সংবাদ, বিলাসীপাৰা, ২০ নৱেম্বৰঃ** ধুবুৰী জিলা এনএছইউৰ উদ্যোগত বিলাসীপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা নিৰ্বাচন উপলক্ষে আজি বিলাসীপাৰা প্ৰতিমা বৰুৱা পাণ্ডেৰ প্ৰেক্ষাগৃহ প্ৰাংগণত এনএছইউআই গোটৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে এনএছইউআইৰ ধুবুৰী জিলা সভাপতি নুৰ উদ্দিন আহমেদে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কংগ্ৰেছ আই দলৰ ধুবুৰী জিলা পৰিষদৰ প্ৰাক্তন উপ-সভাপতি খালিদ হুছাইনে (মুন্না)। উক্ত সভাত মুখ্য অতিথি হিচাপে কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী তথা দক্ষিণ শালমাৰা সমষ্টিৰ বিধায়ক ওৱাজেদ আলী চৌধুৰী চাহাব, বিশিষ্ট অতিথি হিচাপে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক অমৃত বাদশাহ চাহাব, এনএছইউআইৰ ৰাষ্ট্ৰীয় পদৰ নেতা জয়নুদ্দিন সেখ, ধুবুৰী জিলা যুৱ কংগ্ৰেছৰ উপ-সভাপতি মস্তোফা জামান সামিম, এন এছ ইউ আইৰ ধুবুৰী জিলাৰ সাধাৰণ সম্পাদক জহিৰুল ইছলাম আদিয়ে উপস্থিত থাকি বিলাসীপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন এনএছইউআইৰ প্ৰাৰ্থীসকলক কেনেকৈ জয়ী কৰা যায় তাৰ বাবে পৰামৰ্শমূলক ভাষণ প্ৰদান কৰি সভাত উপস্থিত থকা ছাত্ৰ ছাত্ৰীক অৱগত কৰে। উক্ত সভাত ধুবুৰী জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক জাকিৰ হুছেইন, সম্পাদক মোছলেম উদ্দিন, বিলাসীপাৰা পশ্চিম সমষ্টি তথা বৰ্তমান বিৰসিং জৰুৱা সমষ্টিৰ যুৱ কংগ্ৰেছৰ সভাপতি জাকিৰ হুছেইন, নায়েৰ আলগা ব্লক কংগ্ৰেছৰ সভাপতি ছফিকুল ইছলাম, নায়েৰ আলগা আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতিদ্বয়ৰ লগতে তিনি শতাধিকৰ অধিক ছাত্ৰ ছাত্ৰী উপস্থিত থাকি পৰ্যালোচনা সভাখন সাফল্যমণ্ডিত কৰে।

# খোল-তাল-বাঁহীৰ সুৰত দ্বিতীয় বৈকুণ্ঠলৈ পৰ্যবসিত নগাঁৱৰ চকলাঘাট

**ই-সংবাদ, বেবেজীয়া, ২০ নৱেম্বৰঃ** ৰাস মহোৎসৱ হৈছে জীৱাত্মা আৰু পৰামাত্মাৰ মিলনৰ উৎসৱ। শৰৎ কালৰ বিতোপন চন্দ্ৰালী নিশা ৰাসৰ জৰিয়তে গোপীসকলে প্ৰকাশ কৰে কৃষ্ণ ভক্তিৰ উৎকৃষ্ট নিৰ্দশন। আনকি, এই ৰাস মহোৎসৱৰ জৰিয়তে নান্দনিক ৰূপত প্ৰেম আৰু ভক্তিভাৱৰ উপস্থাপন কৰা হয়। সেয়ে পূৰ্বৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি এতিয়া প্ৰান্তে প্ৰান্তে উদযাপিত ৰাস মহোৎসৱৰ উপলক্ষে সমগ্ৰ ৰাজ্য কৃষ্ণ বন্দনাৰে মুখৰ হৈ পৰিছে। গাঁও-চহৰ সকলোতে উদ্ভাসিত হৈছে ব্যাপক উৎসাহ-উদ্দীপনা। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। জিলাখনৰ সৰ্বত্ৰে এতিয়া ৰাস মহোৎসৱক কেন্দ্ৰ কৰি অব্যাহত আছে আনন্দ-উছাহ। ইয়াৰ অংশ হিচাপে জিলাখনৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটত মঙলবাৰে নিশা ৰাস মহোৎসৱৰ উপলক্ষে পৰিবেশ উখল-মাখল হৈ পৰে। কিয়নো বিগত বৰ্ষৰ দৰে এইবাৰো চকলাঘাটৰ ইয়ং ষ্টাৰ ক্লাবৰ উদ্যোগত অনুষ্ঠিত কৰা হয় পুৰুষৰ মহাৰাস। যাৰ ফলত সন্ধিয়াৰে পৰা বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন লোকৰ সমাগমেৰে উৎসৱস্থলী চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ জনসমুদ্ৰত পৰিণত হৈ পৰে। কণ কণ শিশু, মহিলা, আবাল-বৃদ্ধ-বণিতাৰ সমাগমেৰে একপ্ৰকাৰে মহাৰাসৰ বাকৰি পৰিণত হৈ পৰে সম্প্ৰীতিৰ মিলনভূমিত। সুমধুৰ সংগীত, মনোমোহা দৃশ্যসৰ্জ্জা আৰু নানা ৰঙী আলোকৰ মায়াজালত বেছ উপভোগ্য হৈ পৰা এই মহাৰাসে সৰ্বস্তৰৰ দৰ্শকক মোহাচ্ছন্ন কৰি তুলিবলৈ সক্ষম হয়। ইয়াৰে শংখচূড়ৰ চৰিত্ৰত ৰাজীৱ বৰাৰ বলিষ্ঠ অভিনয়ে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলাৰ বিপৰীতে কৃষ্ণ, ৰাধা, পুতনা, যশোদা, মোহিনী আদি চৰিত্ৰৰ লগতে প্ৰতিজন পুৰুষ শিল্পীয়েই সুন্দৰ সাজ-সজ্জাৰে গোপীৰ ৰূপত সুন্দৰ নৃত্য আৰু অভিনয় প্ৰদৰ্শনেৰে দৰ্শকসকলক অন্তিম সময়লৈকে প্ৰেক্ষাগৃহত আবদ্ধ কৰি ৰাখিবলৈ সক্ষম হয়। মুঠতে আকৰ্ষণীয় নৃত্য-গীতৰ সমান্তৰালভাৱে খোল-তাল, বাঁহীৰ সুৰত নিশাটোৰ বাবে দ্বিতীয় বৈকুণ্ঠলৈ পৰ্যবসিত হৈ পৰে চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ মহাৰাসৰ বাকৰি।



বৰাজোলত চাৰিদিনীয়া দিহা-নামৰ কৰ্মশালা, ফটোঃ ই-সংবাদ, নলবাৰী

# জনসমুদ্ৰত পৰিণত বৰমাৰ প্ৰথম বাৰ্ষিক বৃহত্তৰ ৰাস মহোৎসৱ

**ই-সংবাদ, বৰমা, ২০ নৱেম্বৰঃ** বাক্সা জিলাৰ বৰমাত প্ৰথম বাৰ্ষিক বৃহত্তৰ ৰাস মহোৎসৱ আৰম্ভ হৈছে। যোৱা ১৫ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা বৰমা ৰাস মহোৎসৱত আৰম্ভণিৰে পৰা ভক্তৰ লানিনিচিঙা সোঁত বৈছে । পুৱাৰ পৰা ৰাসৰ ককাসূচীসমূহত ৰাইজে অংশগ্ৰহণ কৰাৰ লগতে নিশালৈকে ভিৰ কৰা পৰিলক্ষিত হৈছে। বৰমা ৰাস মহোৎসৱত যাত্ৰা পাৰ্টি "সনা মাইনাও নাইজাৰ আফাদ"ৰ নাট প্ৰদৰ্শন কৰা হয়। যাত্ৰা পাৰ্টি "সনা মাইনাও নাইজাৰ আফাদ" শুভ উদ্বোধন কৰে বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰামছিয়াৰীয়ে। দেওবাৰ ৰামছিয়াৰীয়ে কয় যে ১৯৯৯ চনত এই যাত্ৰা পাৰ্টিৰ জন্ম হৈ আজি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলে। এই যাত্ৰা পাৰ্টিৰ লগত আৰম্ভণিৰে পৰা জড়িত মহেন্দ্ৰ বড়ো, গজেন বড়োৰ দৰে সাংস্কৃতিক লোকসকলে অশেষ প্ৰচেষ্টা কৰি জীয়াই ৰাখিছে। ইয়াত থকা কলা-কুশলীসকলে অশেষ কষ্ট কৰি জীয়াই ৰাখিছে কিন্তু যেনেধৰণৰ পাৰিশ্ৰমিক পাব লাগিছিল তেনেধৰণৰ পাৰিশ্ৰমিক পাবলৈ সক্ষম হোৱা নাই। চৰকাৰৰ সাংস্কৃতিক বিভাগে এই ক্ষেত্ৰত দৃষ্টি ৰাখিলে হয়তো আগবাঢ়ি যোৱাত সহায়ক হ'ব বুলিও তেওঁ কয়।

# মনাই জয়সিদ্ধি সাৰ্বজনীন ৰাস মহোৎসৱৰ সফল সামৰণি

**ই-সংবাদ, বিশ্বনাথ, ২০ নৱেম্বৰঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ উত্তৰ পাৰৰ বৃহত্তৰ জয়সিদ্ধি অঞ্চলৰ কেম্প চাৰিআলিস্থিত ৰাস মন্দিৰ প্ৰাংগণত দুদিনীয়া কাৰ্যসূচীৰে ৫৮ সংখ্যক মনাই জয়সিদ্ধি সাৰ্বজনীন ৰাস মহোৎসৱভাগ অনুষ্ঠিত হয়। ৰাস মহোৎসৱৰ প্ৰথম দিনা শ্ৰীকৃষ্ণৰ শিশুলীলাৰ শুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী ৰাতুল নাথে আৰু দ্বিতীয় দিনা মহাৰাসৰ শুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী হিতেশ বৰুৱাই। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি স্থানীয় শিল্পীসকলে প্ৰস্তুত কৰা মৃণ্ময় মূৰ্তিসমূহৰ প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন কৰে বিশিষ্ট সমাজসেৱক ৰঞ্জন গগৈয়ে। ৰাস মহোৎসৱৰ প্ৰচাৰৰ বাবে উপস্থিত থাকে জনপ্ৰিয় ইউটিউবাৰ দিপ গায়ন। প্ৰথম নিশা শ্ৰীকৃষ্ণৰ শিশুলীলাৰ পুতনা বধত পুতনাৰ ভাও প্ৰদৰ্শন কৰি সকলোকে মোহিত কৰে জনপ্ৰিয় নৃত্য শিল্পী মাইনু বৰাই আৰু দ্বিতীয় দিনা মহাৰাসত ৰাধাৰ নৃত্য প্ৰদৰ্শন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে অসমৰ জনপ্ৰিয় অভিনেত্ৰী বৈভৱী গোস্বামীয়ে। কেবা শতাধিক ৰাসপ্ৰেমীৰ উপস্থিতিত ৫৮ সংখ্যক মনাই জয়সিদ্ধি সাৰ্বজনীন ৰাস মহোৎসৱৰ সফল সামৰণি হয় বুলি ৰাস উদযাপন সমিতিৰ সভাপতি কৃষ্ণ হাজৰিকা আৰু সম্পাদক ভৰেন নাথে জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ত বিশ্ব শৌচালয় দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ২০ নৱেম্বৰঃ** প্ৰত্যেক বছৰে ১৯ নৱেম্বৰৰ দিনটো বিশ্ব শৌচালয় দিৱস ৰূপে পালন কৰা হয়। সমগ্ৰ বিশ্বত এতিয়াও বহু লোকৰ শৌচালয়ৰ সুব্যৱস্থা নাই আৰু মুকলিত মলত্যাগ কৰে। মুকলিত মলত্যাগৰ ফলত বিশ্বত বহু শিশু আৰু মানুহৰ ডায়েৰীয়াজনিত ৰোগত মৃত্যু হয়। এই সমস্যাসমূহ দূৰীকৰণৰ বাবে আৰু মানুহৰ মাজত শৌচাগাৰ ব্যৱহাৰ কৰাৰ বাবে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এই দিৱসটি প্ৰতি বছৰে ১৯ নৱেম্বৰ তাৰিখে উদযাপন কৰা হয়। অৱশ্যে, শৌচালয় ব্যৱহাৰৰ ওপৰত সজাগতা সৃষ্টিৰ উপৰি সামগ্ৰিক পৰিস্কাৰ-পৰিছন্নতাৰ সম্পৰ্কে সজাগতা সৃষ্টি কৰাও এই দিৱস পালনৰ মুখ্য উদ্দেশ্য। ডিব্ৰুগড় জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত জয়পুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত জয়পুৰ গাঁও পঞ্চায়তত, লাহোৱাল উন্নয়ন খণ্ডৰ অন্তৰ্গত চিৰিংহোলা গাঁও পঞ্চায়তত আৰু খোৱাং উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰাংচালী গাঁও পঞ্চায়তত কেৱাঘৰো মানুহৰ ঘৰত(হিতাধিকাৰী) শৌচাগাৰৰ গাঁত খন্দা কাৰ্যৰে শুভাৰম্ভ কৰা হয়।

## শংকৰ-মাধৱৰ বৰ অসমত উজনি-নামনি বিভেদ নাই

# নলবাৰীৰ বৰজোলত চাৰিদিনীয়া দিহা-নামৰ কৰ্মশালা

**ই-সংবাদ, নলবাৰী, ২০ নৱেম্বৰঃ** নলবাৰী জিলা বৰজোল দুৰ্গা মন্দিৰ প্ৰাংগণত জননী শিক্ষা আৰু সাংস্কৃতিক সমাজ, অসমৰ উদ্যোগত চাৰিদিনীয়াকৈ দিহা নামৰ প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰা হৈছে। ভক্তিৰস সংগীতৰ অন্যতম দিহানামৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে জননী শিক্ষা আৰু সাংস্কৃতিক সমাজ, অসমৰ উদ্যোগত যোৱা ১৮ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ নলবাৰী জিলাৰ বৰাজোল দুৰ্গা মন্দিৰ প্ৰাংগণত ৪দিনীয়াকৈ দিহানাম প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰা হয়। জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা শতাধিক আয়তীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনৰ আৰম্ভণিৰ দিনা এক উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। জননী শিক্ষা আৰু সাংস্কৃতিক সমাজ, অসমৰ সঞ্চালক মানৱজ্যোতি কলিতাৰ তত্ত্বাৱধানত অনুষ্ঠিত এই কৰ্মশালাখনৰ আৰম্ভণিৰ দিনাখন শিক্ষাবিদ সুনীল বড়ো, বৰাজোল দুৰ্গা মন্দিৰ উন্নয়ন সমিতিৰ সভাপতি যোগেশ পাঠক, সমাজকৰ্মী গৌৰীকান্ত দাসকে ধৰি জননী শিক্ষা আৰু সাংস্কৃতিক সমাজ, অসমৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। কৰ্মশালাখনত প্ৰশিক্ষক দিহানামৰ গুৰু উপাধি প্ৰাপক অমিয়া নেওগ কলিতাই প্ৰশিক্ষাৰ্থীসকল প্ৰশিক্ষণ দিয়ে। অনুষ্ঠানত প্ৰশিক্ষক অমিয়া নেওক কলিতাই নিজৰ ভাষণত কীৰ্তন-ভাগৱতৰ জ্ঞান আহৰণ কৰা আৰু নামৰ চৰ্চা কৰা লোকসকলে বাকপটুতাতো পাকৈত আৰু বাকপটুতাতেই এগৰাকী ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ লাভ কৰে বুলি মন্তব্য কৰে। কলিতাই ভাষণত দিহা নামৰ বিষদভাৱে বৰ্ণনা দিয়াৰ উপৰি দিহানামত থকা আঁসোৱাহ কিছুমান দূৰ কৰি সুন্দৰভাৱে পৰিৱেশন কৰিহে শুদ্ধ ৰূপত প্ৰচাৰ কৰিব লাগে বুলি মন্তব্য কৰে। লগতে শংকৰদেৱ-মাধৱদেৱ গুৰু দুজনাৰ বৰ অসমক উজনি-নামনি কোনো বিভাজন নাই বুলিও কলিতাই মন্তব্য কৰে। অমিয়া নেওগ কলিতাই গুৰু দুজনাৰ অপূৰ্ব সৃষ্টি ৰাজিক বিশ্ব দৰবাৰত প্ৰসাৰ আৰু প্ৰচাৰত সকলো অসমীয়াৰে দায়িত্ব আৰু কৰ্তব্য আছে বুলি উল্লেখ মন্তব্য কৰে।




মূল্যবৃদ্ধিৰ বিৰুদ্ধে তিনিচুকীয়াত আছুৰ প্ৰতিবাদ, ফটোঃ ই-সংবাদ, ডুমডুমা

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে সদৌ তিনিচুকীয়া ছাত্ৰ সন্থাৰ প্ৰতিবাদ

**ই-সংবাদ, ডুমডুমা, ২০ নৱেম্বৰঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে অভাৱনীয় মূল্যবৃদ্ধিৰ প্ৰতিবাদত আজি সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই তিনিচুকীয়া জিলা সদৰত এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি চৰকাৰ শাসনলৈ অহাৰ পিছৰে পৰা অত্যাৱশ্যকীয় খাদ্যসামগ্ৰীৰ পৰা আৰম্ভ কৰি ইন্ধনজাত সামগ্ৰী, ৰন্ধন গেছ, ঔষধপাতি আদি প্ৰত্যেক বিধ সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিয়ে সৰ্বস্তৰৰ জনসাধাৰণক একপ্ৰকাৰ কোঙা তথা জুৰুলা কৰিছে। আজি অসমৰ প্ৰতিখন জিলা ছাত্ৰ সন্থাই অভাৱনীয় মূল্যবৃদ্ধিৰ প্ৰতিবাদত প্ৰতিবাদ সাব্যস্ত কৰাৰ সমান্তৰালকৈ সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থায়ো তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা তিনিচুকীয়া চহৰৰ থানা-চাৰিআলিলৈকে এক বৃহৎ প্ৰতিবাদী সমদল কৰি বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত ভাৰপ্ৰাপ্ত সভাপতি দীপাংকৰ বুঢ়াগোহাঁই আৰু সাধাৰণ সম্পাদক প্ৰতিম নেওগে এই সন্দৰ্ভত মন্তব্য কৰে যে মূল্যবৃদ্ধি ৰোধ কৰাত অসম চৰকাৰ আৰু যোগান বিভাগ চূড়ান্তভাৱে ব্যৰ্থ হৈছে। হিতাধিকাৰী সৃষ্টিৰ নামত এইখন চৰকাৰে ৰাজকোষৰ ধন খৰচ কৰি নিত্য-ব্যৱহাৰ্য সকলো সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটাই সৰ্বসাধাৰণ ৰাইজক চৰম মাধমাৰ শোধাইছে। যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অতিশীঘ্ৰে মূল্যবৃদ্ধি ৰোধ কৰাৰ ব্যৱস্থা কৰক, অন্যথা তেওঁ দায়িত্বৰ পৰা পদত্যাগ কৰক। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সমৰজ্যোতি গোহাঁই, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰাজা বালিমৰা, জীতেন্দ্ৰ চুতীয়া, দীক্ষিত বেজবৰুৱা, টংকেশ্বৰ শইকীয়া আদি উপস্থিত থাকে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ সমিতি গঠন

**ই-সংবাদ, ডুমডুমা, ২০ নৱেম্বৰঃ** ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ কেন্দ্ৰ সমিতিখন আজি বিদ্যালয়খনত অনুষ্ঠিত এখন ৰাজহুৱা সভাত নতুনকৈ গঠন কৰা হয়। স্থানীয় বিধায়ক তথা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ৰূপেশ গোৱালাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিদ্যালয়খনৰ অধ্যক্ষ তথা কেন্দ্ৰ সমিতিৰ সম্পাদক অলিপ খানে ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সম্পাদকীয় প্ৰতিবেদন আৰু আয়-ব্যয়ৰ পৰীক্ষিত প্ৰতিবেদন দাখিল কৰে। এই সভাতেই বিধায়ক ৰূপেশ গোৱালাক সভাপতি, বিদ্যালয়খনৰ অধ্যক্ষ অলিপ খানক সম্পাদক আৰু তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ নীতা পাল, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় ক্ৰমে ঝিকানন্দ বৰগোঁহাই আৰু সীমা চৌধুৰী, ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক শংকৰ দাস, সমাজকৰ্মী গোবিন্দ ফুকন, বিশিষ্ট সমাজসেৱক-ক্ৰীড়া সংগঠক ললিত গগৈক সদস্য হিচাপে লৈ কেন্দ্ৰ সমিতিখন নতুনকৈ গঠন কৰা হয়। সভাই পংকজ চন্দ্ৰ শৰ্মা আৰু সাংবাদিক-সমাজসেৱক অভিজিত খাটনিয়াৰক সমিতিৰ হিচাপ পৰীক্ষক হিচাপে মনোনীত কৰে। সভাত ভালেসংখ্যক বিশিষ্ট নাগৰিক, শিক্ষক, অভিভাৱক-অভিভাৱিকা উপস্থিত থাকে।

# তিনিচুকীয়াত 'পিএম-সূৰ্যঘৰ'ৰ পৰ্যালোচনা বৈঠক

ই-সংবাদ, ডুমডুমা, ২০ নৱেম্বৰঃ 'প্ৰধান মন্ত্ৰী সূৰ্যঘৰ' আঁচনিৰ অগ্ৰগতিৰ সম্পৰ্কত আজি তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত এখন বৈঠকত পৰ্যালোচনা কৰা হয়। সভাত শদিয়া আৰু ডুমডুমা সম-জিলাৰ আয়ুক্তদ্বয় ক্ৰমে মানসজ্যোতি নাথ আৰু নুজাহাৎ নাছৰিন, অতিৰিক্ত আয়ুক্ত মন্দিৰা বৰুৱা, অসম শক্তি বিতৰণ প্ৰতিষ্ঠানৰ তিনিচুকীয়া চক্ৰৰ মুখ্য কাৰ্যবাহী বিষয়া ইভা বৰকটকীৰ উপৰি সকলো পৌৰসভাৰ সভাপতি আৰু কাৰ্যবাহী বিষয়াসকল, চক্ৰ বিষয়াসকল আৰু খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে। সভাত জিলা আয়ুক্তই 'পিএম-সূৰ্যঘৰ' আঁচনিৰ অধীনত হিতাধিকাৰীৰ ঘৰত সৌৰ শক্তি চালিত বিদ্যুৎ সংযোগৰ ব্যৱস্থা অধিক দ্ৰুত আৰু ফলপ্ৰসূ কৰাৰ লগতে হিতাধিকাৰীসকলক ৰাজসাহায্যৰ ধন যথাসম্ভৱ সোনকালে মুকলি কৰি দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আয়ুক্ত স্বপ্নীল পালে সকলো ঘৰুৱা বিদ্যুৎ উপভোক্তাৰ মাজত এই আঁচনিৰ সুযোগ-সুবিধাৰ সম্পৰ্কত সজাগতা বৃদ্ধিৰো নিৰ্দেশ দিয়ে।

## ‘ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দিশত মাতৃসকলৰ ভূমিকা সদায় আগত’

# নলগাঁও প্ৰাথমিক বিদ্যালয়ত ছয়খন বিদ্যালয়ৰ সামূহিক উৎসৱ

**ই-সংবাদ, মিৰ্জা, ২০ নৱেম্বৰঃ** পলাশবাৰী ৰাজহ চক্ৰৰ অধীনৰ নলগাঁও প্ৰাথমিক বিদ্যালয়ত আজি উত্তৰ ভোলাগাঁও সমল কেন্দ্ৰৰ অন্তৰ্গত এই বিদ্যালয়খনৰ লগতে মেধিপাৰা প্ৰাথমিক বিদ্যালয়, গৰগৰা প্ৰাথমিক বিদ্যালয়, দলেপাৰা প্ৰাথমিক বিদ্যালয়, স্বৰ্গীয় ৰামমোহন গোস্বামী শিশু প্ৰাথমিক বিদ্যালয়, বৰহেৰামদো প্ৰাথমিক বিদ্যালয় এই ছয়খন বিদ্যালয় মিলি সামূহিক উৎসৱ উদযাপন কৰে। এই উপলক্ষে আজি অঞ্চলটোত প্ৰভাত ফেৰী উলিওৱা হয়। পুৱা পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ধীৰেণ কুমাৰে, গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তুলসী বৰুৱাই, বন্তি প্ৰজ্বলন কৰে শিক্ষয়িত্ৰী মধুস্মিতা দেৱীয়ে, মঞ্চ মুকলি কৰে বিশিষ্ট ব্যক্তি যুগল চন্দ্ৰ দাস আৰু অৱসৰপ্ৰাপ্ত শিক্ষক কিনাৰাম কৈৱৰ্তই। দুপৰীয়া এই নলগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়ন্ত বৰদলৈয়ে আঁত ধৰা এই সমূহীয়া উৎসৱত উত্তৰ ভোলাগাঁও সমল কেন্দ্ৰৰ চি আৰ চি চি প্ৰাঞ্জলী ভট্টই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মাতৃগোটৰ শলাগ লয়। মাতৃসকলে শিশুসকলৰ ভৱিষ্যত নিৰ্মাণত সদায়েই আগভাগ লৈ আহিছে বুলি তেওঁ কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে পঢ়া-শুনা কৰি এগৰাকী সুনাগৰিক হ'বলৈ আহ্বান জনায়।  শিক্ষয়িত্ৰী মামণি কলিতাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক নিয়মানুৱৰ্তিতা, শিষ্টাচাৰ বজাই ৰাখিবলৈ আহ্বান জনায়। লগতে ভালদৰে পঢ়া-শুনা কৰিবলৈ কয়। এই অনুষ্ঠানত আন কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি ভাষণ প্ৰদান কৰে। শেষত এই বিদ্যালয়খনৰ প্ৰধান শিক্ষক জয়ন্ত বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। ছাত্ৰ-ছাত্ৰীসকল এদিন দেশৰ সুনাগৰিক হোৱাৰ তেওঁ আশা প্ৰকাশ কৰে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিদ্যালয়কেইখনৰ পৰিচালনা সমিতি, মাতৃগোট, ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা নৃত্য গীত, কবিতা আবৃত্তি, সম্বৰ্ধনা আদি কেইবাটাও কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়।

# কৈঠালকুছিৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত শিক্ষাগুৰুতৰ গ্ৰন্থ উন্মোচন কৰিলে শিক্ষাৰ্থীয়ে

**ই-সংবাদ, নলবাৰী, ২০ নৱেম্বৰঃ** নিজৰ শিক্ষাগুৰুৰ প্ৰকাশিত গ্ৰন্থ শিক্ষাৰ্থীয়ে উন্মোচন কৰি পশ্চিম নলবাৰী অঞ্চলৰ ঐতিহ্যমণ্ডিত কৈঠালকুছিৰ কামপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰে। কৈঠালকুছিৰ কামপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত বছৰেকীয়া অধিৱেশনৰ লগত সংগতি ৰাখি স্কুলখনৰ অধ্যক্ষ হৰ্ষমোহন শৰ্মাৰ ওপজা দিন উপলক্ষে কালি অধ্যক্ষগৰাকীৰ ১১ সংখ্যক গ্ৰন্থ ‘বিলাই দিব পৰা সুখবোৰ’ নামৰ গ্ৰন্থখন স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে উন্মোচন কৰে। শিক্ষানুষ্ঠানখনৰ চৌহদৰ এক প্ৰাকৃতিক নান্দনিক পৰিৱেশত শিক্ষা বিভাগৰ বিষয় শিক্ষক বিপুল কুমাৰ ভট্টাচাৰ্যই আঁত ধৰা ব্যতিক্ৰমী অনুষ্ঠানটোত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰাত ছাত্ৰ-ছাত্ৰীসকল আহ্লাদিত হৈ পৰে। গ্ৰন্থখন উন্মোচন কৰিবলৈ মঞ্চ শুৱনি কৰা ছাত্ৰ-ছাত্ৰীসকল হৈছে ক্ৰমে বিকাশ বৰ্মন, কৃষ্ণ বৰ্মন, মঞ্জিত বড়ো, জোন বৰ্মন, মামনি বেগম, ভাস্বতী ৰাজবংশী, জোনালী চৌধুৰী, ৰিতুমণি বৰ্মন, ৰিম্পী বৰ্মন, মণিকা বৰ্মন আৰু মৌচুমী বৰ্মন। ইপিনে, বছৰেকীয়া অধিৱেশন আৰু গ্ৰন্থ উন্মোচনীৰ বিশেষ পৰ্যৱেক্ষক আৰু অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাংবাদিক অৰূপ ৰঞ্জন বৰ্মনে চমু ভাষনত কয় যে এখন গ্ৰন্থৰ জন্ম মানে এটা সন্তানৰ জন্ম। সন্তানটো জন্ম হোৱাৰ লগে লগে যিদৰে স্বাস্থ্যমুখৰ হৈ পৰে, সেইদৰে গ্ৰন্থ এখনো প্ৰকাশৰ লগে লগে তেওঁলোকৰ পৰিয়ালৰ মনত এটা আনন্দ ভাবৰ সৃষ্টি হয়। আজিৰ এই গ্ৰন্থখনৰ উন্মোচনৰ লগে লগে এই মহান শিক্ষানুষ্ঠানখনত শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীৰ মাজত আনন্দৰ লহৰ উঠিছে। তাতেই আকৌ নিজৰ শিক্ষাগুৰুৰ গ্ৰন্থ নিজৰ শিক্ষাৰ্থীয়ে উন্মোচন কৰিবলৈ লোৱাটোৱে অতি আনন্দিত কৰি তুলিছে। এনে কাৰ্যই আন এক ব্যতিক্ৰম হিচাপে বিবেচিত হৈছে। অনুষ্ঠানৰ আন এগৰাকী বিশেষ পৰ্যবেক্ষক আৰু অতিথি হিচাপে উপস্থিত থাকি অসম ভেলী একাডেমী, নলবাৰীৰ প্ৰবক্তা তথা বিশিষ্ট সাংবাদিক শশাংক শৰ্মাই নিজৰ ভাষণত কয় যে লেখকে জন্মদিনৰ দিনা গ্ৰন্থ উন্মোচন কৰা বিষয়টো অতি গুৰুত্বপূৰ্ণ| তাতে আকৌ প্ৰাকৃতিক পৰিৱেশত নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা উন্মোচন কৰাটো এক ইতিবাচক বাৰ্তা| এনে কামে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে গ্ৰন্থ লিখিবলৈ উৎসাহ যোগাব বুলি তেওঁ মত প্ৰকাশ কৰে|

# বালাজানত চোৰাং কাঠভৰ্তি পিকআপ ভান জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ২০ নৱেম্বৰঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই এখন চোৰাং কাঠ কঢ়িওৱা বলেৰ' পিকআপ ভান জব্দ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, অসম চৰকাৰে বনানিকৰণৰ বাবে বিভিন্ন অভিলাসী আঁচনি গ্ৰহণ কৰাৰ বিপৰীতে একাংশই ব্যস্ত হৈ পৰিছে বন ধ্বংস অভিযানত। অভিযোগ মতে, এটা দুষ্ট চক্ৰই পৰ্বতঝৰা বাশবাৰী আদি বিভিন্ন বনাঞ্চলৰ পৰা মূল্যবান কাঠসমূহ কাটি অনুজ্ঞাপত্ৰহীন তিনিচকীয়া বাহন আৰু বলেৰ' পিকআপ ভানেৰে অবৈধভাৱে নিতৌ পশ্চিমবংগলৈ প্ৰেৰণ কৰে। নিশাৰ ভাগত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বিভিন্ন থানা আৰক্ষী চকী অতিক্ৰম কৰি গৈ আছে যদিও নেদেখা কুলিৰ ভাও ধৰি বহি থাকে আৰক্ষী। এই ক্ষেত্ৰত দুষ্ট চক্ৰটোৰ গোপন বুজাবুজি আছে বন বিভাগৰ লগতো। অসমৰ বনাঞ্চল তহিলং কৰি মূল্যবান কাঠ পশ্চিমবংগলৈ চালান দিয়া ছিণ্ডিকেটৰ নেতৃত্বত আছে সহিদুৰ নামৰ এজন চোৰাং কাঠৰ বেপাৰী। আৰক্ষী, বন বিভাগক মেনেজ কৰি সহিদুৰে চোৰাং কাঠৰ ছিণ্ডিকেট চলোৱা বুলি বিভিন্ন সংগঠনে অভিযোগ কৰি আহিছে। অৱশ্যে বালাজান আৰক্ষী চকীত নতুনকৈ যোগদান কৰা ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে যোৱা নিশা গোপন খবৰৰ ভিত্তিত অভিযান চলাই মূল্যবান কাঠ ভৰ্তি WB-63 A-3560 নম্বৰৰ বলেৰ' পিকআপ ভানখন জব্দ কৰে।

# চিৰিপুৰীয়াত দলং নিৰ্মাণত চূড়ান্ত অনিয়ম, গাৰ্ডাৰ ভাঙি পেলোৱাৰ নিৰ্দেশ



**ই-সংবাদ শিৱসাগৰ, ২০ নৱেম্বৰঃ** শিৱসাগৰ লোক নিৰ্মাণ বিভাগৰ একাংশ বিষয়া অভিযন্তাৰ অদক্ষতা, দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰৰ প্ৰতি দৰদৰ বাবেই জীয়াতু ভুগিবলগীয়া হৈছে জনসাধাৰণে। বিভাগটোৰ বৰমূৰীয়াসকলৰ অমনোযোগিতাৰ বাবেই জিলাখনৰ ভিন্ন প্ৰান্তত একাংশ দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰে চূড়ান্ত মইমতালিৰে কাম কৰাত ধন, সময়ৰ অপচয় হৈছে। শিৱসাগৰ কোঁৰৰপুৰ মৌজাৰ চিৰিপুৰীয়া পাৰঘাটত দিখৌ নদীৰ ওপৰত নিৰ্মাণ কৰি থকা পকী দলং, বেতবাৰী পকী আৰু বহলীকৰণ কৰি থকা হাৰিপৰা আলিৰ দৃশ্যই উদঙাইছে এই ছবি। চিৰিপুৰীয়া পাৰঘাটত নিৰ্মাণ কৰা পকী দলঙৰ তিনিটা বৃহদাকাৰ গাৰ্ডাৰ দলং উদ্বোধনৰ পূৰ্বেই ভাঙি পেলাবলৈ লোক নিৰ্মাণ বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষই দিছে নিৰ্দেশ। কোটি কোটি টকা খৰচ কৰাৰ পিছতো নিৰ্মাণ কাৰ্য অতি নিম্নমানৰ আৰু বিসংগতিপূৰ্ণ হোৱা বাবেই চিৰিপুৰীয়া পাৰ ঘাটত নিৰ্মীয়মান দলং খনৰ নিৰ্মাণকাৰ্যত লাগিছে কেণা। দলংখনৰ এটা মূৰত তিনিটা গাৰ্ডাৰ ধেনুভিৰিয়া হৈ বহি যোৱাত অচিৰেই ভাঙি নতুনকৈ নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিছে ত্ৰিশূল এছ'চিয়েট নামৰ ঠিকাদাৰ প্ৰতিষ্ঠানটোক। উল্লেখ্য যে কোঁৰৰপুৰ চিৰিপুৰীয়া আৰু দিখৌমুখবাসীৰ সুবিধা হোৱাকৈ ৰাইজে সুদীৰ্ঘ বছৰ ধৰি এখন পকী দলং নিৰ্মাণৰ দাবী জনাইছিল। এই দাবীৰ প্ৰতি সঁহাৰি জনাই সৰ্বানন্দ সোনোৱালৰ চৰকাৰৰ দিনত কেবিনেটত চিৰিপুৰীয়া পাৰঘাটত দিখৌৰ ওপৰত পকী দলং নিৰ্মাণৰ বাবে অনুমোদন জনায়। সেই অনুসৰি ২০২০ চনৰ ১০ অক্টোবৰত সেই সময়ৰ লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিখৌ নদীৰ চিৰিপুৰীয়া পাৰ ঘাটত পকী দলঙৰ আধাৰশিলা স্থাপন কৰিছিল। ১৬০.৯৪ মিটাৰ দলঙৰ বাবে উত্তৰ পূব আন্তৰ্গাঁথনি উন্নয়ন আঁচনিৰ অধীনত প্ৰায় ১৭ কোটি টকা পুঁজি আৱন্টন দিয়ে। নিবিদা লাভ কৰে গুৱাহাটীৰ ত্ৰিশূল এচ'ছিয়েট নামৰ ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে। কিন্তু অতি পৰিতাপৰ বিষয় যে দলংখনৰ কেতবোৰ অংশ অতি বিসংগতিপূৰ্ণভাৱে আৰু নিম্নমানৰ নিৰ্মাণ কাৰ্য কৰে। ফলত এটা মূৰৰ তিনিটা গাৰ্ডাৰ ধেনুভিৰিয়া হৈ বহি যায়। ইয়াৰ লগে লগে স্বাভাৱিকতে হাহাকাৰ লাগে দলং নিৰ্মাণৰ কাম-কাজ নীৰিক্ষণৰ দায়িত্বত থকা অভিযন্তা আৰু স্থানীয় ৰাইজৰ মাজত। এনে পৰিস্থিতি লোক নিৰ্মাণ বিভাগৰ গুৱাহাটীৰ এটা উচ্চ পৰ্যায়ৰ অভিযান্ত্ৰিক দলে যোৱা দুই তিনিমাহ পৰীক্ষা কৰাৰ অন্তত বৰ্তমান উক্ত গাৰ্ডাৰ তিনিটা ভাঙি পেলাবলৈ নিৰ্দেশ দিছে। গাৰ্ডাৰকেইটা ভাঙি পুনৰ নিৰ্মাণ নকৰিলে সম্পূৰ্ণ দলংখনৰ প্ৰতিয়েই ভাবুকি আহিব বুলিও স্পষ্ট কৰি দিছে। এনে পৰিস্থিতিত বৰ্তমান দলংখনৰ তিনিটা বৃহৎ বৃহৎ গাৰ্ডাৰ ভাঙিবলৈ যো-জা চলাইছে। গাৰ্ডাৰ কেইটা ভাঙি পুনৰ নিৰ্মাণৰ প্ৰস্তুতি চলোৱাৰ কথা সদৰি কৰিছে শিৱসাগৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা অনুপম হাজৰিকাই। আনহাতে ঠিকাদাৰৰ ভুলৰ বাবেই দলং খনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাত পলম হ'বলৈ ধৰাত ক্ষুন্ন হৈ পৰিছে স্থানীয় ৰাইজ। বিগত বৰ্ষতে যাতায়তৰ বাবে মুকলি কৰাৰ লক্ষ্য স্থিৰ কৰিছিল যদিও এই পৰ্যন্ত ৮০ শতাংশ কামো সম্পূৰ্ণ নোহোৱা বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। অন্যহাতেদি যিটো ঠিকাদাৰ প্ৰতিষ্ঠানৰ অনিয়মৰ বাবে দলং খন নিৰ্মাণত বিসংগতি হ'ল, নিৰ্মাণ কৰা গাৰ্ডাৰ ভাঙি পেলাবলগীয়া পৰিস্থিতি উদ্ভৱ হৈছে সেই ত্ৰিশূল প্ৰতিষ্ঠানৰ বিৰুদ্ধে শাস্তি মূলক ব্যৱস্থা গ্ৰহণ তথা ব্লেক লিষ্টেড কৰাৰ দাবী জনাইছে। তদুপৰি দলংখনৰ নিৰ্মাণ কাৰ্য বন্ধ নাৰাখি চলিত বৰ্ষৰ খৰালিতে নিৰ্মাণ সম্পূৰ্ণ কৰাৰ দাবী জনাইছে ৰাইজে।

# জাগীৰোডত তামিলনাড়ু আৰক্ষীৰ জালত চাইবাৰ অপৰাধী, সৰকাইছিল কেবাকোটি টকা

**ই-সংবাদ, মৰিগাঁও, ২০ নৱেম্বৰঃ** তামিলনাড়ু আৰক্ষীয়ে মৰিগাঁও আৰক্ষীৰ সহযোগত সোমবাৰে জিলাখনৰ জাগীৰোডত চাইবাৰ অপৰাধীৰ বিৰুদ্ধে এক তীব্ৰ অভিযান চলাই পাৰ্থপ্ৰতিম বৰা নামৰ এজন চাইবাৰ অপৰাধীক আটক কৰে। পিছত এই অপৰাধীটোক তামিলনাড়ু আৰক্ষীয়ে ঘটনাৰ তদন্তৰ বাবে চেন্নাইলৈ ধৰি লৈ যায়। মৰিগাঁও জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ পৰা জানিব পৰা মতে, তামিলনাড়ুৰ চেন্নাই আৰক্ষীৰ বিশেষ চাইবাৰ ইউনিটৰ ওচৰত ডিজিটেল এৰেষ্টৰ এক ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু হৈছিল। ইয়াৰ



পিছতে ডিজিটেল এৰেষ্টৰ বিৰুদ্ধে চেন্নাই আৰক্ষীৰ বিশেষ চাইবাৰ ইউনিটে তীব্ৰ অভিযান আৰম্ভ কৰিছে। এই অভিযান কালত জাগীৰোডৰ পাৰ্থপ্ৰতিম বৰা নামৰ লোকজন চেন্নাই আৰক্ষীৰ তদন্তৰ আওঁতালৈ আহে। অভিযোগ মতে ডিজিটেল এৰেষ্ট নামৰ কু-কাৰ্য সমূহৰ ধনৰ লেনদেন হৈছিল জাগীৰোডৰ এই পাৰ্থপ্ৰতিম বৰাৰ বেংক একাউন্টত। হাৰ্চি হেলথকেয়াৰ প্ৰাইভেট লিমিটেড নামৰ পাৰ্থপ্ৰতিমৰ ব্যক্তিগত প্ৰতিষ্ঠানটোৰ বেংক একাউন্টত বিগত ৪ ছেপ্টেম্বৰত ৩ কোটি ৮৮ লাখ টকাৰ লেনদেন হৈছিল। একে দিনাই উক্ত টকাখিনি ১৭৮ টা বিভিন্ন বেংক একাউন্টত ভাগ বিতৰণ কৰা হৈছিল। এই সমস্ত ঘটনাৰ তদন্ত ক্ৰমে চেন্নাই আৰক্ষীৰ অভিযানকাৰী দলটোৱে জাগীৰোডৰ পাৰ্থপ্ৰতিম বৰাৰ কৰায়ত্ব কৰি ঘটনাৰ তদন্ত বাবে চেন্নাইলৈ লৈ যায় বুলি জানিব পৰা গৈছে।

## চেলেংহাটত দবা খেলৰ কৰ্মশালা

**ই-সংবাদ, মৰিয়নি, ২০ নৱেম্বৰঃ** যোৰহাট জিলাৰ পূব যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত চেলেংহাটৰ তিনি বন্ধু বিদ্যালয় ক্ৰমে লাচিত মজলীয়া বিদ্যালয়, কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয় আৰু মাজুনগঞা প্ৰাথমিক বিদ্যালয়ৰ উদ্যোগত তথা যোৰহাট জিলা দবা সন্থাৰ অনুমোদিত টীয়ক দবা সন্থাৰ সহযোগত কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ত যোৱা সোমবাৰৰ পৰা অনুষ্ঠিত হোৱা দবা খেলৰ কৰ্মশালাৰ কালি সামৰণি পৰে। তিনিখন বিদ্যালয়ৰ অদ্ধ শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাৰ প্ৰশিক্ষণ প্ৰদান কৰে যোৰহাট জিলা দবা সন্থাৰ মুখ্য প্ৰশিক্ষক নিলাভ বৰঠাকুৰে। মাজুনগঞা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰিতু গগৈয়ে আঁতধৰা সামৰণি অনুষ্ঠানত টীয়ক দবা সন্থাৰ সম্পাদক বিদুৎত পাঠক, বিশিষ্ট দবা খেলুৱৈ জোনমণি গগৈ, লাচিত মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেন গগৈ, কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ ৰাজুৱাৰ সাংবাদিক তথা কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দেৱবিকাশ দত্তকে ধৰি তিনিখন বিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰী, অভিভাৱক অভিভাৱিকা আৰু বহু সংখ্যক স্থানীয় ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ শেষত ছাত্ৰ ছাত্ৰী সকলক মানপত্ৰ প্ৰদান কৰা হয়।

## দৰঙত পঞ্চায়ত পৰ্যায়ৰ খেল মহাৰণৰ সফল সামৰণি

**ই-সংবাদ, খাৰুপেটীয়া, ২০ নৱেম্বৰঃ** দৰং জিলাৰ অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া সমাৰোহ খেল মহাৰণ ২.০ৰ দৰং জিলাৰ ৭৬খন গাঁও পঞ্চায়ত আৰু ইউএলবিৰ গাঁও পঞ্চায়ত পৰ্যায়ৰ প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। জিলাখনৰ মঙলদৈ, ছিপাঝাৰ আৰু দলগাঁও সমষ্টিত ১৪ নৱেম্বৰত খেল মহাৰণৰ ক্ৰীড়া প্ৰতিযোগিতাৰ খেলসমূহ গাঁও পঞ্চায়ত সমূহৰ অধীনৰ এটিকৈ ক্লাব অথবা সংস্থাৰ কৰ্মকৰ্তাই দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ অধীনস্থ শাৰীৰিক নিৰ্দেশকসকলৰ সহযোগত পৰিচালনা কৰে। পঞ্চায়ত পৰ্যায়ত ১০০, ২০০, ৪০০ মিটাৰ দৌৰ, দীঘল জাম্প, ফুটবল, কাবাডী, দবা, চাইক্লিং প্ৰতিযোগিতাত যথেষ্ট সংখ্যক খেলুৱৈৰ সঁহাৰি পৰিলক্ষিত হোৱাত জিলা ক্ৰীড়া বিষয়া বিষ্ণুজ্যোতি কলিতাই সন্তোষ প্ৰকাশ কৰে। ইপিনে আজি ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ যুটীয়া সঞ্চালক অন্তৰা গগৈ, অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ উপ-সচিব সুস্বপ্না কাকতিয়ে দুনী, দেওমৰনৈ পঞ্চায়ত আৰু খাৰুপেটীয়া ইউএলবিত উপস্থিত হৈ ৰাইজ-খেলুৱৈৰ অংশগ্ৰহণ দেখি আপ্লুত হয়।



এছিয়ান চেম্পিয়নছ ট্ৰফী জয়ৰ পিছত ভাৰতীয় খেলুৱৈসকলৰ উল্লাস, বুধবাৰে

### মহিলা হকীত উল্লেখনীয় সফলতা, লক্ষ্য অলিম্পিক

# চীনক হৰুৱাই এছিয়ান চেম্পিয়নছ ট্ৰফী জয় ভাৰতৰ

**পাটনা, ২০ নৱেম্বৰঃ** চীনক হৰুৱাই এছিয়ান চেম্পিয়নছ ট্ৰফীৰ খিতাপ জয় কৰিবলৈ সমৰ্থ হৈছে ভাৰতীয় মহিলা হকী দলে। চূড়ান্ত খেলখনত ভাৰতে চীনক ১-০ গ'লত পৰাস্ত কৰে। খেলখনৰ একমাত্ৰ গ'লটো পেনাল্টি কৰ্ণাৰৰ পৰা স্ক'ৰ কৰে দীপিকাই। বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত আয়োজিত খেলখনৰ প্ৰথম আৰু দ্বিতীয় কোৱাৰ্টাৰ স্ক'ৰবিহীনভাৱে সমাপ্ত হয়। চাৰিটা পেনাল্টি কৰ্ণাৰ পোৱাৰ পিছতো ভাৰতীয় দলটোৱে সুযোগৰ সদব্যৱহাৰ কৰিব নোৱাৰিলে। অৱশেষত তৃতীয় কোৱাৰ্টাৰত গ'ল দি দীপিকাই ভাৰতক অগ্ৰগতি প্ৰদান কৰে। তেওঁ চীনৰ গ'লৰক্ষক লি টিঙক পৰাভূত কৰি বল নেটত প্ৰৱেশ কৰায়। ইয়াৰ সৈতে তেওঁ ৭খন মেচত ১১টা গ'ল দিয়ে। কিছুসময়ৰ পাছত ভাৰতে পুনৰ সুযোগ পাই যদিও পেনাল্টি কৰ্ণাৰত দীপিকাই গ'ল দিবলৈ ব্যৰ্থ হয়। সমগ্ৰ খেলখনত ভাৰতে চীনৰ বিৰুদ্ধে আধিপত্য অব্যাহত ৰাখে। ইয়াৰ বাহিৰেও ভাৰতীয় দলৰ গ'লৰক্ষক বিচু দেৱীয়ে সুন্দৰ প্ৰদৰ্শনেৰে কেবাটাও গ'লৰ পৰা দলক উদ্ধাৰ কৰে। ভাৰতে ২০১৬ আৰু ২০২৩ চনৰ পিছত তৃতীয়বাৰৰ বাবে এই খিতাপ দখল কৰিছে। এই বিজয়ৰ পিছত ভাৰতে দক্ষিণ কোৰিয়াৰ সৈতে একে শাৰীতে আগবাঢ়িবলৈ সমৰ্থ হয়। ভাৰতীয় মহিলা হকী দলৰ সৰ্বাধিক এছিয়ান চেম্পিয়নছ ট্ৰফী একেলগে জয়ৰ অভিলেখো স্থাপন হয় আজিৰ জয়ৰ জৰিয়তে। প্ৰতিযোগিতাখনৰ ৭খন খেলৰ ভিতৰত এখনো মেচত পৰাস্ত হোৱা নাছিল দলটো। প্ৰশিক্ষক হৰেন্দ্ৰ সিঙৰ অধীনত দলটোৰ এই জয়ে বিশেষ তাৎপৰ্য বহন কৰিছে। এই জয়ৰ জৰিয়তে ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকৰ বাবে প্ৰস্তুতি চলোৱাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

## ২৪ নৱেম্বৰৰ পৰা নগাঁৱত ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ ফুটবল

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২০ নৱেম্বৰঃ** উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে অন্যতম পুৰণি ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাখনি অহা ২৪ নৱেম্বৰৰ পৰা নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আমন্ত্ৰণমূলক ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাৰ ঐকান্তিক প্ৰচেষ্টাত আৰু ক্ৰীড়াপ্ৰেমীৰ সহযোগত বিষয়ববীয়া-সদস্যসকলে ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস, যুটীয়া সম্পাদকদ্বয় উজ্জল বৰুৱা আৰু অমিতাভ বৰা তথা ফুটবল শাখাৰ সম্পাদক প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্যই জানিবলৈ দিয়ামতে, মধ্যপ্ৰদেশৰ কাছা একাডেমী, চেন্নাইণ এফ চি, কালিঘাট স্প'ৰ্টছ লাভাৰ্ছ এশ্ব'চিয়েচন, ইন্টাৰ নৰ্থ ইষ্ট এফ চি, মণিপুৰৰ এফ ফ'ৰ চি, শিলঙৰ পি এফ আৰ এফ চি, গুৱাহাটীৰ অসম ৰাজিক বিদ্যুৎ পৰিষদ, অসম পুলিচ, দুলীয়াজানৰ অ'ইল ইণ্ডিয়া, কোকৰাঝাৰৰ গ্ল'বেল এফ চি, বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ ক্লাব, কাৰ্চাং মাজুলী এফ চি, শিৱসাগৰৰ হালোৱাটিং ইউনাইটেড এফ চি, ডিফুৰ কাচা ইলেভেন, নগাঁও লীগৰ চেম্পিয়ন অল্লান গোষ্ঠী আৰু ৰাণাৰ্ছ আপ ষ্টাৰ স্প'ৰ্টিং ক্লাবে ইতিমধ্যে যোগদান নিশ্চিত কৰিছে। অহা ৬ আৰু ৭ ডিচেম্বৰত ছেমিফাইনেল খেল দুখন তথা ৮ ডিচেম্বৰত ফাইনেল খেলখন অনুষ্ঠিত হ'ব। উল্লেখ্য যে, যোৱা ১৭ নৱেম্বৰত এই প্ৰতিযোগিতাৰ সম্পৰ্কত নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাৰ সভাপতিত্বত এখনি কাৰ্যনিৰ্বাহক সভাও অনুষ্ঠিত হৈ যায়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি